# ইব্ৰীসকলৰ প্ৰতি পত্ৰ

গ্ৰন্থ ৰচয়িতা

ইব্ৰী পত্ৰৰ লিখক সম্পৰ্কে অৱশেষত ৰহস্যই আচ্ছাদিত কৰি ৰাখিছে। কিছুমান পণ্ডিতে লিখক হিচাপে পৌলক প্ৰস্তাৱ কৰা দেখা যায়, কিন্তু প্ৰকৃত লিখকৰ নাম প্ৰকাশত অনিচ্ছুক। আন কোনো পুস্তকত এইদৰে খ্ৰীষ্টক খ্ৰীষ্টিয় উচ্চ পুৰোহিত, হাৰোণীয় পুৰোহিত ব্যৱস্থাতকৈ উচ্চ পৌৰহিত্যৰ আৰু ভাববাদী আৰু বিধানৰ সিদ্ধিকৰ্তা বুলি অলংকৃত কৰি বাখ্যা কৰা নাই। এই পুস্তক খনে খ্ৰীষ্টক লিখক আৰু আমাৰ বিশ্বাসৰ পূৰ্ণতা হিচাপে উপস্থাপন কৰিছে (ইব্ৰী 12:2)।

লিখাৰ স্থান আৰু সময়

সম্ভাব্য সময় প্ৰায় 64-70

খ্ৰীষ্টাব্দৰ মাজভাগত ইব্ৰী পত্ৰখন যিৰুচালেমত লিখা, কিছুমান হয়তো খ্ৰীষ্টৰ স্বৰ্গাৰোহণৰ পাছৰ সময়ত আৰু কিছু হয়তো যিৰূচালেম ধ্বংসৰ আগ ভাগত লিখা।

প্ৰাপক

প্ৰাথমিকভাবে এই পত্ৰত, যিসকল পুৰণি নিয়মৰ সৈতে পৰিচিত, সেই ইহুদি ধৰ্মৰ পৰা পৰিৱৰ্তন হোৱা সকলক আৰু যিসকলে যিহূদীবাদৰ পৰা উভতি যাবলৈ বা শুভবাৰ্তাৰ পৰা যিহূদীবাদলৈ প্ৰলুব্ধ হৈছিল, সেই সকলক উদ্দেশ্য কৰা হৈছে। ইয়াৰ উপৰিও ইয়াত প্ৰস্তাৱ কৰা হৈছে যে, এই প্ৰাপক “বৃহৎ সংখ্যক পুৰোহিত, যিসকলে বিশ্বাসৰ প্ৰতি অনুগত হৈ গৈছিল” (পাঁচনি 6:7)।

উদ্দেশ্য

ইব্ৰী পত্ৰৰ লিখক স্থানীয় ইহুদি শিক্ষাৰ প্ৰত্যাখ্যান আৰু যীচুৰ ওচৰত বিশ্বস্ত থকাৰ কাৰণে সেই ঠাইৰ দৰ্শকসকললৈ উপদেশ লিখিছিল যে

যীচু খ্ৰীষ্ট উচ্চতৰ, ঈশ্বৰৰ পুত্ৰ, স্বৰ্গদুত, পুৰোহিত, পুৰণি নিয়মৰ নেতাসকল আৰু যিকোনো ধৰ্মতকৈ উত্তম। ক্ৰুচৰ দ্বাৰা মৃত্যুবৰণ আৰু মৃত্যুৰ পৰা পুনৰুত্থিত হোৱা, যীচুৰ বিশ্বাসীসকলক দিয়া মুক্তি আৰু অনন্ত জীৱন সম্পৰ্কত দিয়া নিশ্চয়তা, আমাৰ পাপৰ বাবে খ্ৰীষ্টৰ আত্মত্যাগ আছিল নিখুত আৰু সম্পূৰ্ণ, বিশ্বাস ঈশ্বৰৰ পছন্দনীয়, আমি ঈশ্বৰৰ আনুগত্য হোৱাৰ যোগেদি আমাৰ বিশ্বাস প্ৰকাশ হয়।

মূল বিষয়

খ্ৰীষ্টৰ শ্ৰেষ্ঠত্ব।

**প্ৰান্তৰেখা**

1. স্বৰ্গদূতসকলতকৈ যীচু খ্ৰীষ্টৰ শ্ৰষ্ঠত্ব  1:1-2:18
2. যীচু বিধান আৰু পুৰণি নিয়মতকৈ উচ্চতৰ  3:1-10:18
3. বিচাৰৰ মাধ্যমত বিশ্বস্ত আৰু সহ্য কৰাৰ আহ্বান  10:19-12:29
4. চূড়ান্ত উদগণি বা অন্তিম উৎসাহ  13:1-25

## যীচু স্বৰ্গৰ দূত সকলতকৈ মহান

1 পূৰ্বকালত ঈশ্বৰে ভাৱবাদী সকলৰ মাধ্যমেদি বহু বাৰ নানাভাৱে
আমাৰ পূৰ্বপুৰুষ সকলৰ সৈতে কথা পাতিছিল।
2 কিন্তু এতিয়া এই শেষৰ দিনবোৰত ঈশ্বৰে তেওঁৰ পুত্ৰৰ
দ্বাৰাই আমাৰ লগত কথা ক'লে; ঈশ্বৰে সেই পুত্ৰকেই সকলোৰে
উত্তৰাধিকাৰী হবলৈ নিযুক্ত কৰিলে আৰু তেওঁৰ যোগেদি বিশ্ব-ব্ৰহ্মাণ্ড
খনো সৃষ্টি কৰিলে।
3 সেই পুত্ৰ ঈশ্বৰৰ গৌৰৱময় পোহৰ৷ ঈশ্বৰৰ সকলো গুণৰ পূৰ্ণ
প্ৰতিবিম্ব; পুত্ৰই ঈশ্বৰৰ পৰাক্ৰম বাক্যৰ দ্বাৰাই সকলো ধৰি ৰাখিছে।
সেই পুত্ৰই সকলো মানুহক পাপৰ পৰা শুচি কৰিলে আৰু তাৰ পাছত
স্বৰ্গত ঈশ্বৰৰ মহিমাৰ সোঁ হাতে ওখ সিংহাসনত বহিল।

4 ঈশ্বৰে তেওঁৰ পুত্ৰক যি নাম দিলে, সেই নাম যেনেকৈ স্বৰ্গৰ দূত সকলৰ নামতকৈ অধিক উত্তম, তেনেকৈ তেওঁ স্বৰ্গৰ দূত সকলৰ তুলনাত অনেক মহান হৈ উঠিল।

5 কাৰণ, ঈশ্বৰে কেতিয়াবা সেই স্বৰ্গৰ দূত সকলৰ মাজত কোনো এজনক কৈছিল নেকি যে,
"তুমি মোৰ পুত্ৰ; আজি মই তোমাৰ পিতৃ হ'লো?"*
আকৌ, তেওঁ কেতিয়াবা তেওঁলোকক কৈছিল নেকি যে,
"মই তেওঁৰ পিতৃ আৰু তেওঁ মোৰ পুত্ৰ হ'ব?"†

6 পুণৰ, ঈশ্বৰে যেতিয়া সেই প্ৰথমে জন্মা জনক জগতলৈ আনিলে, তেতিয়া তেওঁ ক'লে,
"ঈশ্বৰৰ সমস্ত দূত সকলে তেওঁৰ আৰাধনা কৰক।"
7 স্বৰ্গৰ দূত সকলৰ বিষয়ে ঈশ্বৰে কৈছে,
"তেওঁ নিজৰ দুত সকলক বায়ুৰূপে আৰু নিজৰ
সেৱক সকলক অগ্নিশিখাৰূপে তৈয়াৰ কৰে।"‡

8 কিন্তু পুত্ৰৰ বিষয়ে ঈশ্বৰে ক'লে,
"হে ঈশ্বৰ, তোমাৰ সিংহাসন চিৰকাল স্থায়ী,
তোমাৰ ৰাজ্যৰ শাসন, ন্যায়ৰ শাসন।

9 তুমি ধাৰ্মিকতাক প্ৰেম কৰিলা আৰু দুৰাচাৰীক ঘিণ কৰিলা; এই কাৰণে ঈশ্বৰে, তোমাৰ ঈশ্বৰে তোমাৰ সঙ্গী সকলতকৈ তোমাক অধিক আনন্দৰূপ তেলেৰে অভিষিক্ত কৰিলে।" §

10 "হে প্ৰভু, তুমি আদিতে পৃথিৱীৰ ভিত্তিমূল স্থাপন কৰিলা। আকাশ-মণ্ডলো তোমাৰ হাতৰ কৰ্ম।

11 সেইবোৰ ধ্বংস হৈ যাব; কিন্তু তুমি নিত্য; সেই সকলো কাপোৰৰ দৰে পুৰণি হৈ যাব।

12 তুমি চাদৰৰ দৰে সেইবোৰক নুৰিয়াবা, কাপোৰৰ দৰে সেইবোৰ সলোৱা হ'ব, কিন্তু তুমি হ'লে সদায় একে আছা আৰু তোমাৰ বছৰবোৰৰ কেতিয়াও শেষ নহ'ব।"*

---

* **1 অধ্যায়:5** গীত 2:7 † **1 অধ্যায়:5** 2 চমূৱেল 7:14 ‡ **1 অধ্যায়:7** গীত 104:4 § **1 অধ্যায়:9** গীত 45:6-7 * **1 অধ্যায়:12** গীত 102:25-27

13 কিন্তু ঈশ্বৰে স্বৰ্গৰ দূত সকলৰ মাজৰ কোনো জনক কেতিয়াবা
এই কথা কৈছে নে যে,
"মই তোমাৰ শত্ৰুবোৰক তোমাৰ ভৰি-পীৰা
নকৰোঁমানে, তুমি মোৰ সোঁ হাতে বহি থাকা?" †
14 সকলো স্বৰ্গৰ দূতেই জানো সেৱাকাৰী আত্মা নহয়? মোৰ
আৰাধনা কৰিবলৈ আৰু পৰিত্ৰাণৰ অধিকাৰী হবলৈ উদ্যত হোৱা
সকলৰ পৰিচৰ্যাৰ কাৰণেই জানো তেওঁলোকক পঠোৱা হোৱা নাই?

# 2 অধ্যায়

### পাপৰ উদ্ধাৰৰ বিষয়ে সতৰ্ক কৰা

1 এই কাৰণে আমি যি শুনিছো, তাত পুনৰ অধিককৈ মনোযোগ
দিয়া উচিত, যাতে আমি ঘাটলৈ চাপি আহি, পুনৰ ঘাটৰ পৰা কোনো
প্ৰকাৰে দূৰলৈ ভটিয়াই নাযাওঁ।
2 কিয়নো যি বাক্য স্বৰ্গৰ দূত সকলৰ দ্বাৰাই কোৱা হৈছিল, সেই
বাক্য সত্য বুলি প্ৰমাণিত হল; পাপ-আচৰণ কৰা আৰু ঈশ্বৰৰ আদেশ
অমান্য কৰা প্ৰত্যেকেই ন্যায়ৰ শাস্তি যোগ্যৰূপে পালে।
3 তেনেহলে এনে এক মহৎ পৰিত্ৰাণ অগ্ৰাহ্য কৰিলে আমি
কেনেকৈ ৰক্ষা পাব পাৰোঁ? এই উদ্ধাৰৰ কথা প্ৰথমে প্ৰভুৰ দ্বাৰাই
ঘোষণা কৰা হৈছিল আৰু যি সকলে শুনিলে, তেওঁলোকে আমাৰ
ওচৰত সেই উদ্ধাৰৰ সত্যতা প্ৰমাণ কৰিলে।
4 ঈশ্বৰে নানা চিন, অদ্ভুত লক্ষণ, অনেক পৰাক্ৰম কাৰ্য আৰু নিজৰ
ইচ্ছা অনুসাৰে পবিত্ৰ আত্মাৰ নানা বৰদানৰ দ্বাৰা এই বিষয়ে সাক্ষ্য
প্ৰদান কৰিলে।

### যীচুৱে পাপৰ পৰা উদ্ধাৰ কৰে

5 আমি যি ভাবী জগতৰ বিষয়ে কথা কৈছোঁ, সেই বিষয় ঈশ্বৰে
স্বৰ্গৰ দূত সকলৰ অধীনত ৰখা নাই।

† **1 অধ্যায়:13** গীত 110:1

6 কিন্তু ইয়াৰ পৰিৱৰ্তে, কোনো এজনে কোনো এঠাইত এই সাক্ষ্য
দি কৈছে,
"মানুহনো কি, তুমি যে তেওঁক সোঁৱৰণ কৰা? অথবা
মানুহৰ সন্তানেই বা কি, তুমি যে তেওঁলৈ দৃষ্টি কৰা?
7 তুমি স্বৰ্গৰ দূত সকলতকৈ মানুহক অলপহে সৰু কৰিলা;
কিন্তু তুমি তেওঁকেই মহিমা আৰু সন্মানৰ মুকুটেৰে
বিভূষিত কৰিলা;
8 আৰু সকলো বস্তু তুমি তেওঁৰ ভৰিৰ তলত ৰাখিলা।" *
কিয়নো ঈশ্বৰে সকলোকে মানুহৰ অধীন কৰিলে। তেওঁৰ কৰ্তৃত্বৰ
বাহিৰত তেওঁ একোৱেই নাৰাখিলে। অৱশ্যে আমি এতিয়ালৈকে
সকলো তেওঁৰ অধীনত দেখা নাই।
9 তথাপি আমি যীচুক দেখিছোঁ, যি জনক স্বৰ্গৰ দূত সকলতকৈ
অলপহে সৰু কৰা হ'ল; তেওঁ দুখভোগ কৰি মৃত্যুবৰণ কৰাৰ কাৰণে
তেওঁক মহিমা আৰু সন্মানৰ ৰাজমুকুট পিন্ধোৱা হ'ল। সেয়েহে, ঈশ্বৰৰ
অনুগ্ৰহত প্ৰত্যেক মানুহৰ বাবে যীচুৱে মৃত্যুৰ আস্বাদ ল'লে।
10 সকলো ঈশ্বৰৰ কাৰণে আৰু সকলো তেওঁৰ যোগেদি হ'ল।
সেই বাবে অনেক সন্তানক ঈশ্বৰে গৌৰৱৰ ভাগী কৰাৰ উদ্দেশ্যেৰে
আৰু তেওঁলোকৰ পৰিত্ৰাণৰ অৰ্থে যীচুক কষ্টভোগৰ মাজেদি সিদ্ধ
কৰি তোলা কাৰ্য ঈশ্বৰৰ সঠিক কাৰ্য আছিল।
11 যি জনে পবিত্ৰ কৰে আৰু যি সকলক পবিত্ৰ কৰা হয়, সেই
সকলোৱে একে জন ঈশ্বৰৰ পৰিয়ালৰ লোক। সেই কাৰণে যি জনে
পবিত্ৰ কৰে সেই যীচুৱে লোক সকলক ভাই বুলি মাতিবলৈ তেওঁ লাজ
নাপায়।
12 যীচুৱে কৈছে,
"মোৰ ভাই সকলৰ আগত মই তোমাৰ নাম প্ৰচাৰ
কৰিম, সহভাগীতাৰ মাজত তোমাৰ গুণ কীৰ্ত্তন কৰিম।"†
13 তেওঁ আকৌ কৈছে,
"মই তেওঁতহে ভাৰসা কৰিম।"‡
তেওঁ আকৌ ইয়াকো কৈছে,

* **2 অধ্যায়:8** গীত 8:4-6 † **2 অধ্যায়:12** গীত 22:22 ‡ **2 অধ্যায়:13** যিচয়া 8:17

“চোৱা, এয়া মই আৰু মোৰ সন্তান সকল, ঈশ্বৰে
যি সকলক মোক দিছে।” §
14 ঈশ্বৰৰ সেই সকলো সন্তান তেজ আৰু মাংসৰ মানুহ। সেয়েহে
যীচুৱে নিজেও সেই সন্তান সকলৰ দৰে এই উভয়ৰ সহভাগী হ'ল,
যাতে মৃত্যুৰ মাধ্যমেদি মৃত্যুৰ ক্ষমতা যাৰ হাতত আছে সেই চয়তানক
শক্তিহীন কৰিব পাৰে, আৰু
15 মৃত্যুৰ ভয়ত যি সকলে গোটেই জীৱন দাসত্বত কটাইছিল,
তেওঁলোকক মুক্ত কৰিব পাৰে।
16 বাস্তৱিক এই কথা নিশ্চিত যে, যীচুৱে স্বৰ্গৰ দূত সকলক সহায়
কৰা নাই, কিন্তু তাৰ পৰিৱৰ্তে অব্ৰাহামৰ বংশধৰ সকলকহে সহায়
কৰিছে।
17 সেই বাবেই যীচু সকলো দিশৰ পৰা তেওঁৰ ভাই সকলৰ দৰে
হোৱাৰ প্ৰয়োজন আছিল যাতে ঈশ্বৰৰ সাক্ষাতে তেওঁ এজন দয়ালু
আৰু বিশ্বস্ত মহা-পুৰোহিত হব পাৰে আৰু মানুহে পাপৰ পৰা ক্ষমা
পাব পাৰে।
18 কিয়নো যীচুৱে নিজে পৰীক্ষা আৰু দুখভোগৰ মাজেদি গৈছিল,
সেই বাবে যি সকল লোক পৰীক্ষাৰ সন্মুখীন হয় তেওঁলোকক তেওঁ
সহায় কৰিব পাৰে।

# 3 অধ্যায়

## যীচু মোচিতকৈ মহান

1 এই কাৰণে, হে স্বৰ্গীয় আমন্ত্ৰণৰ সহভাগী পবিত্ৰ ভাই সকল,
আপোনালোকে যীচুলৈ মনোযোগ কৰক। তেওঁ আমি স্বীকাৰ কৰা
ঈশ্বৰৰ পাঁচনি আৰু সেই মহা-পুৰোহিত।
2 ঈশ্বৰৰ পৰিয়ালৰ সমস্ত লোক সকলৰ প্ৰতি মোচি যেনেকৈ বিশ্বাসী
আছিল, তেনেকৈ যীচু নিজেও তেওঁক নিযুক্ত কৰা ঈশ্বৰৰ প্ৰতি বিশ্বসী
আছিল।

§ **2 অধ্যায়:13** যিচয়া 8:18

3 কোনো লোকে যেতিয়া গৃহ নিৰ্মাণ কৰে, তেতিয়া গৃহতকৈ
গৃহ নিৰ্মাতাৰ মৰ্যদা যেনেকৈ অধিক হয়, সেইদৰে, ঈশ্বৰে যীচুক
মোচিতকৈ অধিক গৌৰৱৰ যোগ্যপাত্ৰৰূপে গণিত কৰিলে
4 কাৰণ প্ৰত্যেক গৃহ কোনো জনৰ দ্বাৰাই নিৰ্মাণ কৰা হয়, কিন্তু যি
জনে সকলোকে নিৰ্মাণ কৰিলে, তেওঁ ঈশ্বৰ।
5 মোচি সঁচাকৈয়ে ঈশ্বৰৰ সমস্ত গৃহৰ সেৱকৰূপে বিশ্বাসী আছিল।
ভৱিষ্যতত যি যি কোৱা হব, সেই সকলোৰে সম্বন্ধে মোচিয়ে সাক্ষ্য
দি আছিল
6 কিন্তু পুত্ৰ হিচাপে খ্ৰীষ্ট হৈছে ঈশ্বৰৰ সেই গৃহৰ কৰ্তা। যদিহে আমি
আমাৰ নিশ্চিত আশাৰ সম্পৰ্কে সাহস আৰু গৰ্ব দৃঢ়কৈ ধৰি ৰাখো,
তেনেহলে ঈশ্বৰৰ গৃহ আমি বিশ্বাসী সকলেই হওঁ।

### অবিশ্বাসৰ বিষয়ে সতৰ্ক কৰা

7 এই কাৰণে পবিত্ৰ আত্মাই যেনেকৈ কৈছে:
“আজি যদি তোমালোকে ঈশ্বৰৰ মাত শুনিবলৈ পোৱা,
8 তেনেহলে তোমালোকৰ হৃদয়বোৰ কঠিন নকৰিবা-
যেনেকৈ ইস্ৰায়েলীয়া সকলে বিদ্ৰোহৰ দিনত কৰিছিল,
মৰুপ্ৰান্তত সেই সময়ত পৰীক্ষা কৰাৰ দৰে নকৰিবা।
9 তাত তোমালোকৰ ওপৰ-পুৰুষ সকলে চল্লিশ বছৰ ধৰি মোৰ কাৰ্যবোৰ দেখিছিল,
তথাপি তেওঁলোকে মোক পৰীক্ষা কৰাৰ দ্বাৰাই বিদ্ৰোহ কৰিছিল,
10 গতিকে, মই এই জাতিত বিৰক্ত হলো,
মই কলো, এওঁলোক সদায় ভ্ৰান্ত হৃদয়ৰ লোক;
তেওঁলোকে মোৰ পথ নাজানিলে;
11 তাতে মই ক্ৰুদ্ধ হৈ এই শপত খালোঁ, এওঁলোক মোৰ বিশ্ৰামত সোমাবলৈ নাপাব।” *
12 ভাই সকল, আপোনালোকে সতৰ্কতাৰে চলিব যাতে,
কেনেবাকৈ জীৱনময় ঈশ্বৰৰ পৰা খহি পৰিবলৈ আপোনালোকৰ
মাজত কোনো এজনৰে অবিশ্বাসী দুষ্ট হৃদয় নহয়।

---

* **3 অধ্যায়:11** গীত 95:7-11

13 যি সময়লৈকে আজি বোলা সময় আছে, সেই সময়লৈ
অাপোনালোকে প্ৰতিদিনে এজনে আন জনক উৎসাহ দিয়ক, তাতে
আপোনালোকৰ কোনো এজনৰ হৃদয় পাপৰ ছলনাত পৰি কঠিন
নহওক।
14 আৰম্ভণীতে খ্ৰীষ্টত আমাৰ যি বিশ্বাস আছিল, যদি শেষলৈকে
আমি সেই বিশ্বাসত নিশ্চিত হৈ থাকো, তেনেহলে আমি খ্ৰীষ্টৰ সহভাগী;
15 এই বিষয়ে ইয়াকে কোৱা হৈছে,
“আজি যদি তোমালোকে তেওঁৰ মাত শুনিবলৈ পোৱা,
তেনেহলে তোমালোকৰ হৃদয় কঠিন নকৰিবা,
যেনেকৈ ইস্ৰায়েলী সকলে সেই বিদ্ৰোহৰ দিনত কৰিছিল।” †
16 কোনে ঈশ্বৰৰ মাত শুনাৰ পাছতো তেওঁৰ বিৰুদ্ধে বিদ্ৰোহ
কৰিছিল? তেওঁলোক সেই সকল লোকেই নহয় নে, যি সকলক
মোচিয়ে মিচৰ দেশৰ পৰা বাহিৰ কৰি লৈ আহিছিল?
17 ঈশ্বৰে চল্লিশ বছৰ ধৰি কাৰ ওপৰতেই বা ক্ৰুদ্ধ আছিল, সেই
লোক সকলৰ ওপৰতে নহয় নে, যি সকলে পাপ কৰিছিল আৰু যি
সকলৰ মৃতদেহ মৰুপ্ৰান্তত পৰি আছিল?
18 ঈশ্বৰে কাৰ বিৰুদ্ধে বা শপত খাই কৈছিল, “এওঁলোকে মোৰ
বিশ্ৰামত সোমাবলৈ নাপাব?” যি সকল অবাধ্য, তেওঁলোকৰ বিৰুদ্ধে
নহয় নে?
19 ইয়াতে আমি দেখো যে, অবিশ্বাসৰ কাৰণেই তেওঁলোক সোমাব
নোৱাৰিলে।

# 4 অধ্যায়

## ঈশ্বৰৰ লোক সকলৰ বাবে বিশ্ৰাম

1 এতেকে, আমি সতৰ্ক হ'ব লাগে যাতে অাপোনালোকৰ মাজৰ
কোনো ব্যক্তিকে ঈশ্বৰৰ বিশ্ৰামত সোমোৱাৰ যি প্ৰতিজ্ঞা, সেই
প্ৰতিজ্ঞাত যেন অযোগ্য দেখা নাযায়।
2 ইস্ৰায়েলৰ লোক সকলৰ আগত যেনেকৈ ঈশ্বৰৰ বিশ্ৰামৰ বিষয়ে
শুভবাৰ্তা ঘোষণা কৰা হৈছিল, তেনেকৈ আমাৰ আগতো কৰা হৈছে।

† **3 অধ্যায়:15** গীত 95:95:7-8

কিন্তু, সেই শুভবাৰ্তাৰ শিক্ষা শুনিও তেওঁলোকৰ কোনো লাভ নহ'ল; কাৰণ তেওঁলোকে সেইবোৰ শুনি বিশ্বাসেৰে গ্ৰহণ নকৰিলে।
3 আমি যি সকলে বিশ্বাস কৰিছোঁ, আমিয়ে সেই বিশ্ৰামত প্ৰৱেশ কৰিবলৈ সক্ষম; যি দৰে কোৱা হৈছে:
"মই ক্ৰুদ্ধ হৈ শপত খালোঁ,
এওঁলোকে মোৰ বিশ্ৰামত
সোমাবলৈ নাপাব।" *

যদিও জগতৰ আৰম্ভণীৰ পৰাই সৃষ্টি কাৰ্য শেষ কৰি ঈশ্বৰে এই কথা কৈছিল।
4 কিয়নো এঠাইত সপ্তম দিনৰ বিষয়ে ঈশ্বৰে কৈছিল,
"ঈশ্বৰে সপ্তম দিনা তেওঁৰ সকলো কৰ্মৰ পৰা বিশ্ৰাম কৰিলে।"
5 পুনৰায় তেওঁ কৈছে, "এওঁলোক মোৰ
বিশ্ৰামত সোমাবলৈ নাপাব।"
6 এতেকে, কিছুমান লোকৰ প্ৰৱেশৰ বাবে এতিয়াও ঈশ্বৰৰ বিশ্ৰাম আছুতীয়াকৈ ৰখা আছে আৰু ঈশ্বৰৰ বিশ্ৰামৰ শুভবাৰ্তা যি ইস্ৰায়েলী লোক সকলে প্ৰথমে শুনিছিল, তেওঁলোকৰ অবাধ্যতাৰ কাৰণে তেওঁলোকে ঈশ্বৰৰ বিশ্ৰামত প্ৰৱেশ কৰিব নোৱাৰিলে।
7 তেতিয়া ঈশ্বৰে পুণৰ এটা দিন স্থিৰ কৰিলে আৰু সেই দিনৰ বিষয়ে তেওঁ ক'লে, "আজি"। বহুত দিনৰ পাছত ৰজা দায়ুদৰ যোগেদি তেওঁ এই দিনৰ বিষয়ে পুনৰায় কৈছিল,
"আজি যদি তোমালোকে তেওঁৰ মাত শুনিবলৈ পোৱা,
তেনেহলে তোমালোকৰ হৃদয় কঠিন নকৰিবা।"†
8 কিয়নো যিহোচুৱাই তেওঁলোকক ঈশ্বৰৰ বিশ্ৰামত লৈ যাব পৰা হ'লে, ঈশ্বৰে পাছত আন এটা দিনৰ "আজি" বোলা কথাটো নক'লেহেঁতেন।
9 এতেকে ঈশ্বৰৰ লোকৰ কাৰণে সেই সপ্তম দিনৰ বিশ্ৰাম সংৰক্ষিত আছে।
10 কিয়নো যেনেকৈ ঈশ্বৰে তেওঁৰ কৰ্ম শেষ কৰি বিশ্ৰাম কৰিছিল, তেনেকৈ যি কোনোৱে ঈশ্বৰৰ বিশ্ৰামত প্ৰৱেশ কৰে, তেৱোঁ নিজৰ কৰ্মৰ পৰা বিশ্ৰাম পায়।

* **4 অধ্যায়:3** গীত 95:11 † **4 অধ্যায়:7** গীত 95:7-8

11 সেই কাৰণে আহক, আমি সেই বিশ্ৰামত সোমাবলৈ যত্ন
কৰোঁহক। আমি কোনেও যেন সেই অবাধ্য ইস্ৰায়েলী লোক সকলৰ
দৰে অবিশ্বাসৰ পুৰণি আৰ্হি অনুসৰণ কৰি পতিত নহম।
12 কিয়নো ঈশ্বৰৰ বাক্য জীৱনময়, কাৰ্যসাধক আৰু আটাই দুধৰীয়া
তৰোৱালতকৈও চোকা। এই বাক্য প্ৰাণ আৰু আত্মা, গাঠি আৰু
মজ্জা এই সকলোকে ভেদ কৰালৈকে বিন্ধোতা, মনৰ ভাৱনা আৰু
অভিপ্ৰায়কো বিচাৰ কৰোঁতা।
13 সৃষ্টিৰ একো বস্তুৱেই ঈশ্বৰৰ দৃষ্টিৰ অগোচৰ নহয়; তেওঁৰ চকুৰ
আগত সকলোৱেই উদং আৰু মুকলি৷ তেওঁৰ ওচৰত আমি অৱশ্যেই
হিচাব দিব লাগিব।

### যীচু মহা-পুৰোহিত

14 স্বৰ্গবোৰৰ মাজেদি যোৱা আমাৰ এজন মহান মহা-পুৰোহিত
আছে। তেওঁ ঈশ্বৰৰ পুত্ৰ যীচু খ্ৰীষ্ট। গতিকে আহক, আমি আমাৰ বিশ্বাস
দৃঢ়কৈ ধৰি ৰাখোহঁক।
15 কিয়নো আমাৰ মহা-পুৰোহিত এনেকুৱা নহয় যে, তেওঁ আমাৰ
দূৰ্বলতাত আমাৰ লগত দুখ উপলব্ধি কৰিব নোৱাৰে; কাৰণ তেওঁ পাপ
নকৰাকৈয়ে সকলো বিষয়ত আমাৰ দৰে পৰীক্ষিত হৈছিল।
16 এতেকে বিশ্বাসেৰে সৈতে অনুগ্ৰহৰ সিংহাসনৰ ওচৰলৈ আহক,
যাতে আমাৰ প্ৰয়োজনত সহায় হবলৈ আমি দয়া লাভ কৰি অনুগ্ৰহ পাব
পাৰোঁ।

# 5 অধ্যায়

### হাৰোণতকৈ যীচুৰ মহত্ব

1 প্ৰতিজন ইহুদী মহা-পুৰোহিতক লোক সকলৰ মাজৰ পৰা
মনোনীত কৰা হয়। লোক সকলৰ পক্ষ হৈ ঈশ্বৰ বিষয়ক সেৱা কাৰ্যৰ
বাবে তেওঁক নিযুক্ত কৰা হয়, যাতে তেওঁ মানুহৰ পাপৰ কাৰণে
উপহাৰ আৰু বলিদান উৎসৰ্গ কৰে।

2 মানুহৰ অজ্ঞতা আৰু ভ্ৰান্ত অৱস্থাত মহা-পুৰোহিত জনে তেওঁলোকৰ প্ৰতি সহানুভুতিশীল হব পাৰে, যিহেতু তেৰোঁ আন লোক সকলৰ দৰে নিজৰ দুৰ্বলতাৰ দ্বাৰা বেষ্টিত।

3 যেনেকৈ আন লোক সকলৰ পাপৰ কাৰণে তেওঁ বলি উৎসৰ্গ কৰে, তেনেকৈ নিজে দুৰ্বল হোৱা কাৰণে নিজৰ কাৰণেও তেওঁ সেই বলি উৎসৰ্গ কৰা আৱশ্যক।

4 মহা-পুৰোহিত হোৱা সন্মানৰ বিষয় আৰু কোনেও এই সন্মান নিজে লব নোৱাৰে। কিন্তু ঈশ্বৰে যি জনক আমন্ত্ৰণ কৰে তেৱেঁই সেই সন্মান পায়, যি দৰে হাৰোণক এই কাৰ্যত আমন্ত্ৰণ কৰা হৈছিল।

5 সেইদৰে খ্ৰীষ্টেও মহা-পুৰোহিত হৈ নিজে মহিমা লবলৈ নিজকে মনোনীত নকৰিলে। কিন্তু ঈশ্বৰেই তেওঁক ক□লে,

“তুমি মোৰ পুত্ৰ,
আজি মই তোমাৰ পিতৃ হ□লো।” *

6 সেইদৰে আন এঠাইত কৈছে:

“তুমি চিৰকালৰ কাৰণে
মল্কিচেদকৰ† ৰীতি অনুসাৰে হোৱা এজন পুৰোহিত।”‡

7 যীচু যেতিয়া এই জগতত নিজ শৰীৰত বাস কৰিছিল, যি জনে তেওঁক মৃত্যুৰ হাতৰ পৰা ৰক্ষা কৰিব পাৰে সেই ঈশ্বৰৰ ওচৰত চকুলোৰে সৈতে অতিশয় ক্ৰন্দন কৰি অনুৰোধ আৰু প্ৰাৰ্থনা কৰিছিল। ঈশ্বৰৰ প্ৰতি থকা ভক্তিভাৱৰ কাৰণে, ঈশ্বৰে তেওঁৰ প্ৰাৰ্থনা শুনিলে।

8 যীচু ঈশ্বৰৰ পুত্ৰ হোৱা সত্ত্বেও দুখভোগ কৰিছিল আৰু তাৰ মাজেদিয়েই বাধ্যতা হ□বলৈ শিক্ষা পালে;

9 এইভাৱে যীচুৱে মহা-পুৰোহিতৰূপে পূৰ্ণ সিদ্ধতা লাভ কৰিলে আৰু সেয়ে তেওঁৰ বাধ্য হোৱা সকলোৰে কাৰণে তেওঁ অনন্ত পৰিত্ৰাণৰ পথ হ□ল;

10 আৰু মল্কিচেদকৰ ৰীতি অনুসাৰে হোৱা মহা-পুৰোহিত বুলি ঈশ্বৰৰ দ্বাৰাই অভিহিত হ□ল।

---

* **5 অধ্যায়:5** গীত 2:7 † **5 অধ্যায়:6** মল্কিচেদক: অব্ৰাহামৰ সময়ত এই নামৰ এজন পুৰোহিত আৰু ৰজা আছিল। ‡ **5 অধ্যায়:6** গীত 110:4

যীচুত থিৰে থাকিবলৈ আৰু ধৰ্মিকতাত বৃদ্ধি পাবৰ অৰ্থে যত্ন কৰিবলৈ উদগণি

11 যীচুৰ বিষয়ে আমাৰ অনেক কথা ক৷বলৈ আছে; কিন্তু আপোনালোকৰ কাণ গধুৰ হোৱা বাবে সেই বিষয় বুজাবলৈ টান।
12 ইমান দিনে আপোনালোক শিক্ষক হৈ উঠিব লাগিছিল, কিন্তু তাৰ পৰিৱৰ্তে এতিয়াও কোনোৱে যেন পুনৰাই আপোনালোকক ঈশ্বৰৰ বচন সমূহৰ আদিকথাৰূপ বৰ্ণমালা শিকায়, আপোনালোকৰ এনে প্ৰয়োজন হৈ পৰিছে। আপোনালোক এনেকুৱা মানুহ হ৷ল যে, টান আহাৰ নহয়, গাখীৰহে আপোনালোকৰ প্ৰয়োজন হৈ আছে।
13 কিয়নো যাৰ ভোজন মাথোন গাখীৰ, তেওঁতো এতিয়াও শিশু। ধাৰ্মিকতা সম্বন্ধীয় শিক্ষাত সেই ব্যক্তিৰ কোনো অভিজ্ঞতা নাই।
14 কিন্তু টান আহাৰ হ৷লে সম্পূৰ্ণ বয়সপ্ৰাপ্ত সকলৰ বাবেহে অৰ্থাৎ তেওঁলোকে ঈশ্বৰৰ বাক্যৰ কঠিন শিক্ষাবোৰ বুজি অভ্যাস কৰে; তেওঁলোকে ভুল আৰু শুদ্ধ বিচাৰ কৰাত নিপুণ হৈ ভাল-বেয়া নিৰ্ণয় কৰিবলৈ শিকিছে।

# 6 অধ্যায়

1 এতেকে, খ্ৰীষ্টৰ বিষয়ে আমি যি প্ৰাথমিক শিক্ষা পালোঁ, তাক পাছ পেলাই, আহক আমি পৰিপূৰ্ণতাৰ ফালে আগবাঢ়ি যাওঁ। পুনৰায় যেন আমি মৃত কৰ্মৰ পৰা মন-পৰিৱৰ্তন আৰু ঈশ্বৰৰ ওপৰত বিশ্বাস,
2 নানা বাপ্তিস্ম আৰু হাত দিয়াৰ বিষয়ে শিক্ষা, মৃত লোকৰ পুনৰুত্থান আৰু স্থায়ী অনন্ত দণ্ডৰ বিষয়ে নতুনকৈ ভিত্তিমূল স্থাপন নকৰোঁ।
3 অৱশ্যে, ঈশ্বৰে অনুমতি দিলে আমি তাকেই কৰিম।
4 কিয়নো যি সকলে এবাৰ পোহৰ প্ৰাপ্ত হৈছে, তেওঁলোকেই স্বৰ্গীয় দানৰ আস্বাদ পালে আৰু পবিত্ৰ আত্মাৰ সহভাগী হ৷ল৷
5 কিন্তু যি সকলে ঈশ্বৰৰ মঙ্গলবাক্যৰ আস্বাদ পালে, ভাবী যুগৰ নানা পৰাক্ৰমৰ বিষয়ে জানিলে
6 আৰু তাৰ পাছত ধৰ্ম ভ্ৰষ্ট হ৷ল, তেওঁলোকক নতুনকৈ মন-পৰিৱৰ্তনৰ অৰ্থে পুণৰায় গঢ় দিয়া অসাধ্য; কাৰণ তেওঁলোকে নিজৰ

অৰ্থে ঈশ্বৰৰ পুত্ৰক পুণৰ ক্ৰুচত দিলে আৰু প্ৰকাশ্যৰূপে মানুহৰ আগত
তেওঁক নিন্দাৰ পাত্ৰ কৰিলে।
7 যি মাটিয়ে তাৰ ওপৰত ঘনে ঘনে পৰা বৰষুণ শুহি লয় আৰু
সেই মাটি চহাই কাম কৰা সকলৰ কাৰণে সেই মাটিয়ে প্ৰয়োজনীয়
শাক-পাচলি আদি উৎপন্ন কৰে, সেই মাটিয়ে ঈশ্বৰৰ আশীৰ্বাদ পায়।
8 কিন্তু সেই মাটিয়ে যদি কাঁইট গছ আৰু পুলি কাঁইট উৎপন্ন কৰে,
তেনেহলে ই অকামিলা হৈ যায় আৰু সেই মাটি অভিশপ্ত হোৱাৰ ভয়
থাকে। তাৰ শেষগতি জ্বলন।

## যীচুত আশ্ৰয় লোৱা সকলে পৰিত্ৰাণ পাব

9 প্ৰিয় বন্ধু সকল, যদিও আমি এইবোৰ কথা কৈছোঁ, তথাপি
অাপোনালোকৰ বিষয়ে হলে আমাৰ এনে দৃঢ় বিশ্বাস আছে যে,
আপোনালোকৰ অৱস্থা ইয়াতকৈয়ো ভাল আৰু আপোনালোকে যি
কৰি আছে, সেয়া পৰিত্ৰাণ লাভৰে পদক্ষেপ।
10 কিয়নো ঈশ্বৰ এনে অন্যায় বিচাৰক নহয় যে, আপোনালোকৰ
পৰিশ্ৰম আৰু তেওঁৰ নামৰ বাবে পবিত্ৰ লোক সকলৰ প্ৰতি
আপোনালোকে যি সেৱা যত্ন কৰিলে আৰু এতিয়াও একে সেৱা যত্ন
কৰি প্ৰেম দেখুৱাই আছে; ঈশ্বৰে এইবোৰ কেতিয়াও নাপাহৰে।
11 আমি বিচাৰো, আপোনালোক প্ৰত্যেক জনে যেন শেষ পৰ্যন্ত
একেই ধৰণৰ আগ্ৰহ দেখুওৱা লোক হয়। তাতে আপোনালোকে
সম্পূৰ্ণকৈ নিশ্চিত হব যে, আপোনালোকৰ আশা পূৰ্ণ হব।
12 আপোনালোক এলেহুৱা হোৱাটো আমি নিবিচাৰোঁ। আমি
বিচাৰো, যি সকলে বিশ্বাস আৰু ধৈৰ্যৰ দ্বাৰাই ঈশ্বৰৰ বিধান সমূহ লাভ
কৰে, আপোনালোক তেওঁলোকৰ অনুকাৰী হওক।

## ঈশ্বৰৰ প্ৰতিজ্ঞাৰ নিশ্চয়তা

13 ঈশ্বৰে যেতিয়া অব্ৰাহামলৈ এটি প্ৰতিজ্ঞা কৰিছিল, তেতিয়া
ঈশ্বৰতকৈ মহান কোনো নথকাত তেওঁ নিজৰ নামেৰেই শপত খাইছিল।
14 তেওঁ কৈছিল, “মই অৱশ্যেই তোমাক আশীৰ্বাদ কৰিম আৰু
অতিশয়ৰূপে তোমাৰ বংশও বৃদ্ধি কৰিম।”*

---

* **6 অধ্যায়:14** আদি 22: 17

15 তাতে অব্ৰাহামে ধৈৰ্যেৰে অপেক্ষা কৰিলে আৰু পাছত তেওঁ সেই প্ৰতিজ্ঞাৰ ফল পালে।

16 মানুহে নিজতকৈ মহান কোনো ব্যক্তিৰ নামেৰেহে শপত খায়। শপতৰ দ্বাৰা নিজৰ প্ৰতিজ্ঞা ৰক্ষাৰ নিশ্চয়তা দান কৰিলে তেওঁলোকৰ সকলো বিবাদৰ অৱসান হয়।

17 সেইদৰে ঈশ্বৰে তেওঁৰ প্ৰতিজ্ঞাৰ উত্তৰাধিকাৰী সকলক শপতৰ মাধ্যমেদি নিশ্চয়তা দি অধিক স্পষ্টৰূপে দেখুৱাব বিচাৰিলে যে তেওঁৰ সেই উদ্দেশ্য অপৰিবৰ্তনীয়।

18 ঈশ্বৰে এই কাৰ্য দুটা অপৰিবৰ্তনীয় বিষয়ৰ দ্বাৰাই কৰিছিল, যি বিষয়ত ঈশ্বৰে মিছা-কোৱা অসাধ্য। আমি যি সকলে ঈশ্বৰৰ ওচৰত আশ্ৰয় বিচাৰি পলাই গলো, আমি আমাৰ আগত থকা আশাক যেন দৃঢ়তাৰে ধৰিবলৈ প্ৰচুৰ উৎসাহ পাওঁ, তাৰ কাৰণে কৰিলে।

19 আমাৰ যি আশা আছে, সেই আশা আমাৰ আত্মাৰ লঙ্গৰ স্বৰূপ; সেয়ে নিশ্চিত আৰু দৃঢ়। সেই আশাই আঁৰ-কাপোৰৰ ভিতৰ ফালে মন্দিৰৰ মহা পবিত্ৰ স্থানত আমাক প্ৰৱেশ কৰায়।

20 যীচু, যি জন মল্কিচেদকৰ ৰীতি অনুযায়ী চিৰকালৰ বাবে মহা-পুৰোহিত হ'ল, তেওঁ আমাৰ কাৰণে অগ্ৰগামী হৈ সেই ঠাইত প্ৰৱেশ কৰিলে।

# 7 অধ্যায়

## যীচুৰ পৌৰোহিত্য সৰ্ব্বশ্ৰেষ্ঠ, সিদ্ধ, চিৰস্থায়ী

1 এই মল্কিচেদক চালেমৰ ৰজা আৰু সৰ্ব্বোপৰি ঈশ্বৰৰ পুৰোহিত আছিল। অব্ৰাহামে যেতিয়া ৰজা সকলক পৰাস্ত কৰি উলটি আহিছিল, তেতিয়া তেওঁৰ লগত অব্ৰাহামৰ সাক্ষাৎ হ'ল আৰু মল্কিচেদকে অব্ৰাহামক আশীৰ্বাদ কৰিলে।

2 অব্ৰাহামে যি সকলো অধিকাৰ কৰিছিল, তাৰ পৰা দহ ভাগৰ এভাগ তেওঁক দিছিল; "মল্কিচেদকৰ" নামৰ অৰ্থ হৈছে "ধাৰ্মিকতাৰ ৰজা" আৰু তেওঁ "চালেমৰ ৰজা" অৰ্থাৎ "শান্তিৰাজ"।

3 মল্কিচেদকৰ পিতৃ, মাতৃ বা তেওঁৰ পূৰ্বপুৰুষৰ কোনো বংশতালিকা
নাছিল। তেওঁৰ আৰম্ভণ আৰু শেষ জীৱনৰ কোনো নথি-পত্ৰ নাই।
ঈশ্বৰৰ পুত্ৰৰ দৰে তেওঁ হৈছে চিৰকালৰ পুৰোহিত।

4 এতিয়া বিবেচনা কৰি চাওক, এই মল্কিচেদক কিমান মহান পুৰুষ
আছিল, যি জনক আমাৰ আদিপিতৃ অব্ৰাহামে যুদ্ধত লুট কৰা উত্তম
বস্তুৰ দহ ভাগৰ এভাগ দিছিল।
5 লেবীৰ সন্তান সকলৰ মাজৰ যি সকলে পুৰোহিত বাব পালে,
তেওঁলোকে নিজৰ ভাই ইস্ৰায়েলী সন্তান সকলৰ পৰা বিধান অনুসাৰে
দশমাংশ গ্ৰহণ কৰাৰ আদেশ পালে, যদিও তেওঁলোক উভয়েই
অব্ৰাহামৰ বংশধৰ।
6 কিন্তু মল্কিচেদক, যি জন লেবীৰ বংশধৰ নোহোৱাতো তেওঁ
অব্ৰাহামৰ পৰা দশম ভাগ লৈছিল আৰু যি জনৰ ওচৰত ঈশ্বৰে প্ৰতিজ্ঞা
কৰিছিল, সেই অব্ৰাহামক তেওঁ আশীৰ্বাদো কৰিছিল।
7 এই বিষয়ত কোনো সন্দেহ নাই যে সৰু লোকেই সকলো সময়ত
ডাঙৰৰ পৰা আশীৰ্বাদ লাভ কৰে।
8 এফালে দেখা যায়, যি সকলে দশম ভাগ পায়, তেওঁলোক মৃত্যুৰ
অধীন মানুহ; কিন্তু আনফালে, যি জনে অব্ৰাহামৰ পৰা দহ ভাগৰ
এভাগ পালে তেওঁ জীয়াই আছে বুলি সাক্ষ্য পোৱা হৈছে।
9 পুণৰ ইয়াক এনেকৈয়ো ক'ব পাৰি যে, লেবীয়ে দহ ভাগৰ এভাগ
পাইছিল আৰু তেওঁ নিজেও অব্ৰাহামৰ যোগেদি দহ ভাগৰ এভাগ
দিলে;
10 কিয়নো মল্কিচেদকৰ সৈতে যেতিয়া অব্ৰাহামৰ সাক্ষাৎ হৈছিল
তেতিয়া লেবী তেওঁৰ পূৰ্বপুৰুষ আব্ৰাহামৰ শৰীৰৰ ভিতৰত আছিল।

## যীচু মল্কিচেদকৰদৰে পুৰোহিত

11 লেবীয়া পৌৰহিত্যৰ অধীনত লোক সকলে বিধান পালে;
এতেকে সেই লেবীয়া পুৰোহিতৰ কাৰ্যৰ দ্বাৰাই যদি পূৰ্ণতা লাভ কৰিব
পাৰি, তেনেহলে আন এজন পুৰোহিতৰ প্ৰয়োজন নহ'লহেঁতেন, যি
জন প্ৰথম লেবীয়া পুৰোহিত হাৰোণৰ ৰীতিৰ নিচিনা নহয়, কিন্তু
মল্কিচেদকৰ ৰীতিৰ নিচিনা আছিল।

12 যেতিয়া পুৰোহিতৰ সলনি হয়, তেতিয়া বিধানো সলনি হোৱা আৱশ্যক।
13 যি জনৰ বিষয়ে এই সকলো কথা কোৱা হৈছে, তেওঁতো অন্য এক ফৈদৰ; সেই ফৈদৰ পৰা কোনেও কেতিয়াও বেদিৰ কৰ্ম কৰা নাই।
14 কাৰণ ই সুস্পষ্ট যে আমাৰ প্ৰভু যিহূদা ফৈদৰ পৰা আহিছে আৰু এই বংশৰ বিষয়ে পুৰোহিত হোৱাৰ বিষয়ে মোচিয়ে কেতিয়াও একো কোৱা নাই।
15 এইবোৰ বিষয় অধিক পৰিস্কাৰ হৈ যায় যেতিয়া মল্কিচেদকৰদৰে আন এজন পুৰোহিতৰ উৎপন্ন হ'ল।
16 এই নতুন পুৰোহিত জন মানৱীয় ৰীতি-নীতি আৰু বিধান অনুযায়ী পুৰোহিত হোৱা নাই, কিন্তু তেওঁ এক ধ্বংসহীন শক্তিৰ অধিকাৰী হৈ তেনে হ'ল।
17 কিয়নো শাস্ত্ৰই তেওঁৰ বিষয়ে এই সাক্ষ্য দিছে,

তুমি চিৰকালৰ বাবে

মল্কিচেদকৰ ৰীতি অনুসাৰে পুৰোহিত হৈছা।

18 পুৰণি বিধান দূৰ কৰা হ'ল, কাৰণ ই দুৰ্বল আৰু নিষ্ফল হৈ পৰিছিল।
19 কিয়নো মোচিৰ বিধানে একোকে সিদ্ধ কৰিব নোৱাৰিলে। এতিয়া আমাৰ ওচৰত এক উত্তমতাৰ আশা আছে আৰু সেই আশাৰ মাজেদি আমি ঈশ্বৰৰ ওচৰ চাপি যাওঁ।
20 এই উত্তমতাৰ আশা ঈশ্বৰে এক শপত নোলোৱাকৈ হোৱা নাছিল; কিন্তু আন সকল পুৰোহিত হোৱাৰ সময়ত হ'লে ঈশ্বৰে কোনো শপত লোৱা নাছিল।
21 ঈশ্বৰে যীচুক মহা-পুৰোহিত কৰাৰ সময়ত এক শপত খালে -

"প্ৰভুৱে শপত খালে আৰু তেওঁ এই বিষয়ত নিজৰ

মন পৰিৱৰ্তন নকৰিব: 'তুমি চিৰকালৰ এজন পুৰোহিত'।" *
22 এই শপতৰ দ্বাৰাই যীচু উত্তমতাৰ এক বিধানৰ জামিনদাৰী হ'ল।

---

* **7 অধ্যায়:21** গীত 110:4

23 লেবী সকলৰ অনেকেই এজনৰ পাছত আন জন পুৰোহিত হ’ল
আৰু মৃত্যু হোৱাৰ কাৰণে কোনো এজনে অনন্তকাল পৰিচৰ্যা কৰি যাব
নোৱাৰিলে।
24 কিন্তু যীচু চিৰকাল জীৱিত আছে বাবে তেওঁৰ পুৰোহিত পদো
চিৰস্থায়ী।
25 সেয়েহে যি সকলে যীচুৰ মাধ্যমেদি ঈশ্বৰৰ কাষ চাপে,
তেওঁলোকক যীচুৱে সম্পূৰ্ণকৈ উদ্ধাৰ কৰিব পাৰে; কাৰণ তেওঁলোকৰ
বাবে ঈশ্বৰৰ ওচৰত নিবেদন কৰিবলৈ যীচু সদায় জীয়াই আছে।
26 এনেকুৱা নিষ্পাপ, শুদ্ধ, পবিত্ৰ, পাপী সকলৰ পৰা পৃথক হোৱা
এজন মহা-পুৰোহিত আমাৰ বাবে প্ৰয়োজন আছিল। আকাশ-মণ্ডলৰ
উৰ্দ্ধতো তেওঁক তুলি নিয়া হৈছিল।
27 আন মহা-পুৰোহিত সকলৰ নিচিনাকৈ প্ৰতিদিনে প্ৰথমে নিজৰ
আৰু তাৰ পাছত লোক সকলৰ পাপৰ কাৰণে বলি উৎসৰ্গ কৰাৰ
তেওঁৰ কোনো প্ৰয়োজন নাই, কাৰণ তেওঁ নিজকে বলিৰূপে উৎসৰ্গ
কৰাৰ দ্বাৰাই এই কাম সকলোৰে কাৰণে এবাৰেই সাধন কৰিলে।
28 কিয়নো বিধান অনুসাৰে যি মহা-পুৰোহিত সকলক নিযুক্ত কৰা
হয়, তেওঁলোক দূৰ্বল মানুহ; কিন্তু বিধানৰ পাছত ঈশ্বৰৰ শপত বাক্যৰ
দ্বাৰা যি জনক মহা-পুৰোহিতৰূপে নিযুক্তি দিয়া হ’ল, তেওঁ চিৰকালৰ
অৰ্থে সিদ্ধ, ঈশ্বৰৰ পুত্ৰ।

# 8 অধ্যায়

## যীচু আমাৰ মহা-পুৰোহিত

1 এতিয়া আমি যি বিষয়ে কবলৈ লৈছোঁ, তাৰ সাৰ কথা হৈছে,
আমাৰ এজন মহা-পুৰোহিত আছে যি জন স্বৰ্গত মহিমাময় সিংহাসনৰ
সোঁফালে বহিল ।
2 তেওঁ মহা-পবিত্ৰ স্থানত প্ৰকৃত উপাসনা তম্বুৰ পৰিচৰ্যাকাৰী হৈছে৷
সেই তম্বু কোনো মৰ্ত্ত্যৰ দ্বাৰা স্থাপন কৰা নহয়, কিন্তু প্ৰভুৰ দ্বাৰা স্থাপিত
হৈছে৷

3 প্ৰত্যেক মহা-পুৰোহিতক বলি আৰু উপহাৰ উৎসৰ্গ কৰিবলৈ
নিযুক্ত কৰা হয়৷ এতেকে এই মহা-পুৰোহিত সকলেও কিবা বস্তু
উৎসৰ্গ কৰিব লাগে।
4 কিন্তু খ্ৰীষ্ট যদি পৃথিৱীত থাকিলহেঁতেন তেওঁ এজন পুৰোহিত
হব নোৱাৰিলেহেঁতেন; কিয়নো আগৰ বিধান অনুসাৰে উপহাৰ আদি
উৎসৰ্গ কৰিবলৈ মানুহ আছে;
5 পুৰোহিত সকলৰ এই কাম স্বৰ্গীয় কামৰ এক নমুনা আৰু ছাঁয়া
মাথোন৷ কিয়নো মোচিয়ে যেতিয়া সেই উপাসনা তম্বুটো নিৰ্ম্মাণ
কৰিবলৈ লৈছিল, তেতিয়া তেওঁক ঈশ্বৰে এই বুলি সতৰ্ক কৰি দিছিল,
"চাবা, পাহাৰৰ ওপৰত তোমাক যি নমুনা দেখুওৱা হ'ল, ঠিক সেইদৰে
নিৰ্ম্মাণ কৰিবা।"
6 কিন্তু এতিয়া, খ্ৰীষ্টক যি কাৰ্যত নিয়োগ কৰা হৈছে, সেয়া সেই
মহা-পুৰোহিত সকলতকৈয়ো অধিক গুণে উত্তম৷ কাৰণ তেওঁ এক
উত্তম বিধানৰ মধ্যস্থ হৈছে, যি বিধান আগতকৈ অধিক গুণে শ্ৰেষ্ঠ৷
এই বিধান, শ্ৰেষ্ঠ বিষয়ৰ প্ৰতিজ্ঞাবোৰৰ ওপৰত স্থাপিত হৈছে৷
7 কিয়নো, সেই প্ৰথম বিধান নিৰ্দোষী হোৱা হ'লে, দ্বিতীয়টোৰ
কোনো প্ৰয়োজন নহ'লহেঁতেন।
8 কিন্তু ঈশ্বৰে লোক সকলৰ মাজত দোষ-ত্ৰুটি দেখাত কলে,

" 'প্ৰভুৱে কৈছে, চোৱা! সময় আহিছে, মই ইস্ৰায়েলৰ আৰু যিহূদাৰ
লোক সকলৰ সৈতে এটা নতুন নিয়ম সম্পন্ন কৰিম,

9 যি সময়ত মই মিচৰ দেশৰ পৰা তেওঁলোকৰ ওপৰ-পুৰুষ সকলক
হাতত ধৰি উলিয়াই আনিছিলো, সেই সময়ত তেওঁলোকৰ
কাৰণে যি বিধান দিছিলোঁ, এই নতুন বিধান, সেই বিধান
অনুসাৰে নহব৷

তেওঁলোকে মোৰ সেই বিধানত নচলিল বাবে মই আৰু তেওঁলোকলৈ
মনোযোগ নিদিলোঁ৷' প্ৰভুৱে এই কথা কৈছে৷

10 প্ৰভুৱে পুনৰ কৈছে, 'সেই সময়ৰ পাছত, ইস্ৰায়েল-বংশৰ কাৰণে
মই এই নিয়ম স্থাপন কৰিম;'

'তেওঁলোকৰ চিত্তত মোৰ বিধান দিম, আৰু
তেওঁলোকৰ হৃদয়ত তাক লিখিম;

মই তেওঁলোকৰ ঈশ্বৰ হম
আৰু তেওঁলোক মোৰ লোক হব।
11 "প্ৰভুক জানা" এই বুলি নিজৰ প্ৰতিবেশীক আৰু নিজ নিজ ভায়েকক কোনো লোকে পুনৰ শিক্ষা নিদিব৷
কাৰণ সৰুৰ পৰা বৰলৈকে সকলোৱে মোক জানিব৷
12 মই তেওঁলোকৰ প্ৰতি দয়া দেখুৱাই, অধাৰ্মিকতাৰ কাৰ্যবোৰ ক্ষমা কৰিম;
তেওঁলোকৰ সকলো পাপ মই পুনৰ সোঁৱৰণ নকৰিম৷"*
13 ঈশ্বৰে এই নিয়মক "নতুন" বুলি কৈ প্ৰথমটোক পুৰণি কৰিলে।
কিন্তু যিটো পুৰণি, সেয়া জীৰ্ণপ্ৰায় বুলি ঘোষণা কৰিলে আৰু ই শীঘ্ৰেই
অদৃশ্য হৈ যাব৷

# 9 অধ্যায়

## পুৰণি ব্যৱস্থা অনুযায়ী উপাসনা

1 সেই প্ৰথম ব্যৱস্থাত এই জগতত সেৱা উপাসনা কৰিবলৈ নানা
বিধান দিয়া হৈছিল আৰু উপাসনাৰ বাবে এটি বিশেষ মহা-পবিত্ৰ স্থান
আছিল৷
2 সেই অনুসাৰে এটা তম্বু নিৰ্ম্মাণ কৰা হৈছিল আৰু তাৰ ভিতৰত
এটা কোঠালি যুগুত কৰিছিল৷ সেই তম্বুৰ প্ৰথম অংশক অতি পবিত্ৰ
স্থান বোলা হয়, তাতে দীপাধাৰ, মেজ আৰু ঈশ্বৰলৈ উৎসৰ্গ কৰা
বিশেষ পিঠা থাকে।
3 আৰু দ্বিতীয় আঁৰ-কাপোৰৰ পাছফালে আন এটা অংশ আছিল,
সেই অংশক মহা-পবিত্ৰ স্থান বোলা হৈছিল৷
4 এই অংশত ধুপ জ্বলোৱাৰ কাৰণে সোণৰ বেদি অাৰু ব্যৱস্থাৰ
নিয়ম-চন্দুক আছিল; ইয়াৰ চাৰিওফালে সোণৰ পতা মৰা আছিল আৰু
তাৰ ভিতৰত আছিল মান্না থকা সোণৰ ঘট, হাৰোণৰ লাখুটি* আৰু
বিধান থকা দুখন শিলৰ ফলি।

* **8 অধ্যায়:12** যিৰিমিয়া 31:31-34
* **9 অধ্যায়:4** হাৰোণৰ লাখুটি যত কুঁহি ওলাইছিল

5 সেই চন্দুকৰ ওপৰত প্ৰতাপৰ দুটা সোণৰ †কৰূব আছিল, সিহঁতৰ
পাখিবোৰে সেই চন্দুকৰ ঢাকনিৰ ওপৰত ছাঁ দি ৰাখিছিল৷ এই সকলোৰ
বিষয়ে আমি এতিয়া ভাঙি পাতি ক□বলৈ নোৱাৰিম।
6 এইদৰে সেইবোৰ নিৰ্ম্মিত হোৱাত পুৰোহিত সকলে উপাসনাৰ
কাৰ্য সিদ্ধ কৰিবলৈ প্ৰথম কোঁঠালিত সদায় সোমায়;
7 কিন্তু দ্বিতীয়টোত হ□লে, কেৱল মহা-পুৰোহিতে অকলে
বছেৰেকত এবাৰ সোমায়; তেওঁ নিজৰ পাপৰ কাৰণে আৰু
মানুহবোৰে নাজানি কৰা পাপৰ কাৰণে উৎসৰ্গ কৰা পশুৰ তেজ
নোলোৱাকৈ নোসোমায়।
8 ইয়াতে পবিত্ৰ আত্মাই জনাইছে যে যিমান দিন এই প্ৰথম উপাসনাৰ
তম্বু থাকিব সিমান দিনলৈ সেই মহা-পবিত্ৰ স্থানত সোমোৱা প্ৰৱেশৰ
পথ খোলা নহব।
9 ই আজিৰ কাৰণে এটা দৃষ্টান্ত স্বৰূপ; উৎসৰ্গিত বলি আৰু উপহাৰে
উপাসনাকাৰীৰ বিবেকক সম্পূৰ্ণ ৰূপে নিখুঁত কৰিব পৰা নাই৷
10 এইবোৰ কেৱল আহাৰ, পানীয় আৰু নানা বিধ বাহ্যিক শুচিতাৰ
স্নান; এই সকলো নতুন আদেশ নহালৈকে মাংসিক ধৰ্ম-বিধি মাত্ৰ৷

## নতুন ব্যৱস্থা অনুযায়ী উপাসনা

11 ভৱিষ্যত মঙ্গলৰ মহা-পুৰোহিত স্বৰূপে খ্ৰীষ্ট আহিল, তেওঁ অধিক
মহত্ত্ব আৰু অধিক সিদ্ধতাৰ পবিত্ৰ তম্বুৰেদি আহিল, এই তম্বু মানুহৰ
হাতেৰে বনোৱা নহয়, এই জগতৰ কোনো বস্তুৰেদিও নহয়৷
12 ছাগলীৰ আৰু দামুৰিৰ তেজৰ গুণে নহয়, কিন্তু তেওঁ নিজৰ
তেজৰ গুণে খ্ৰীষ্ট একেবাৰতে সকলোৰে কাৰণে অতি পবিত্ৰ স্থানত
সোমাই আমাৰ বাবে অনন্তকাল স্থায়ী মুক্তি উপাৰ্জ্জন কৰিলে।
13 ছাগ বা ভতৰাৰ তেজ আৰু চেঁউৰীৰ ভস্ম, এই সকলো অশুচি
মানুহৰ ওপৰত চতিয়াই তেওঁলোকৰ শৰীৰৰ শুচিতাৰ কাৰণে পবিত্ৰ
কৰে৷
14 তেনেহলে যি জনে অনন্ত আত্মাৰে ঈশ্বৰৰ উদ্দেশ্যে নিৰ্দোষী বলি
স্বৰূপে নিজকে উৎসৰ্গ কৰিলে, সেই খ্ৰীষ্টৰ তেজে আমাৰ বিবেকক

† **9 অধ্যায়:5** কৰূব: পাখি থকা স্বৰ্গ দূত

মৃত কৰ্মৰ পৰা কিমান অধিক গুণে শুচি কৰিব! যাতে আমি জীৱনময়
ঈশ্বৰৰ সেৱা কৰিব পাৰোঁ৷
15 ঈশ্বৰে যি সকলক আমন্ত্ৰণ কৰি অনন্ত কালৰ অধিকাৰ দিয়াৰ
প্ৰতিজ্ঞা কৰিছিল, তেওঁলোকে যেন তাক পায়, সেই কাৰণে খ্ৰীষ্টে
নতুন নিয়মৰ মধ্যস্থ হ'ল৷ তেওঁলোক সেইবোৰৰ অধিকাৰী হ'ব,
কাৰণ প্ৰথম বিধান চলি থকাৰ সময়ত তেওঁলোকে যি পাপ কৰিলে,
সেই পাপৰ পৰা তেওঁলোকক মুক্তি দিবলৈ খ্ৰীষ্টই আপোন প্ৰাণ দিলে৷

16 কোনোবাই নিয়ম-পত্ৰ‡ কৰি গ'লে, যি জনে নিয়ম কৰিছে
তেওঁৰ মৃত্যুৰ প্ৰমাণ পোৱা আৱশ্যক।
17 মৃত্যু ঘটিলেহে নিয়ম-পত্ৰ কাৰ্যকৰী হয়; কাৰণ নিয়ম কৰা জন
জীয়াই থাকে মানে সেই নিয়ম-পত্ৰ কাৰ্যকৰী নহয়৷
18 ঠিক সেইদৰে সেই প্ৰথম বিধান তেজৰ বিনে স্থাপন নহ'ল।
19 সকলো লোকৰ ওচৰত বিধানৰ প্ৰতিটো আদেশ ঘোষণা কৰাৰ
পাছত মোচিয়ে দামুৰি আৰু ছাগৰ তেজ লৈ তাৰ লগত পানী মিহলাই
উজ্বল ৰঙা বৰণীয়া মেষৰ নোম আৰু এচোব বনেৰে সৈতে বিধান
পুস্তক আৰু সকলো মানুহৰ ওপৰত চতিয়াই দিছিল৷
20 তেতিয়া তেওঁ কৈছিল "ঈশ্বৰে তোমালোকৰ উদ্দেশ্যে দিয়া যি
বিধানৰ আজ্ঞা, এয়ে সেই নিয়মৰ তেজ।"
21 উপাসনা তম্বু আৰু উপাসনাৰ কামত ব্যৱহৃত সকলো পাত্ৰৰ
ওপৰত মোচিয়ে সেইদৰে তেজ ছটিয়াই দিছিল৷
22 বিধানৰ মতে প্ৰায় সকলোকেই তেজেৰে শুচি কৰা হয়; তেজ
উলিওৱা নহ'লে পাপ-মোচন নহয়।

23 এতেকে যি স্বৰ্গীয় বিষয়ৰ নকল মাত্ৰ, সেইবোৰ এই উপায়েৰে
শুচি কৰা হোৱা আৱশ্যক; কিন্তু আচল যি স্বৰ্গীয় বিষয়, সেয়ে
ইয়াতকৈ শ্ৰেষ্ঠ বলিদানৰ দ্বাৰাই শুচি কৰা হোৱা আৱশ্যক।
24 কিয়নো প্ৰকৃতিৰ প্ৰতিৰূপ মাত্ৰ যি হাতে কৰা পবিত্ৰ স্থান, সেয়া
সত্যৰ নকলহে মাত্ৰ। খ্ৰীষ্ট সেই ঠাইত নোসোমাল; কিন্তু সম্প্ৰতি আমাৰ
কাৰণে তেওঁ ঈশ্বৰৰ সাক্ষাতে উপস্থিত হ'বলৈ স্বৰ্গতহে সোমাল।

‡ **9 অধ্যায়:16** নিয়ম-পত্ৰ এক স্বাক্ষৰিত চুক্তি যিয়ে প্ৰমাণ কৰে মৃত্যুৰ পাছত তেওঁৰ সম্পত্তিৰ কোন অংশীদাৰ হবা৷

25 কিন্তু মহা-পুৰোহিতে যেনেকৈ পৰৰ তেজ লৈ বছৰে বছেৰে
পবিত্ৰ স্থানত সোমায়, তেনেকৈ তেওঁ বাৰে বাৰে নিজকে উৎসৰ্গ
কৰিবলৈ যে সোমাল, এনে নহয়;
26 সেয়ে হোৱা হলে জগত স্থাপনৰে পৰা তেওঁ অনেকবাৰ দুখভোগ
কৰিব লাগিলহেঁতেন; কিন্তু এতিয়া তেওঁ আত্ম-বলিদানৰ দ্বাৰাই পাপ
নাশৰ অৰ্থে যুগবোৰৰ শেষত এবাৰ মাথোন প্ৰকাশিত হ�ল।
27 আৰু যেনেকৈ এবাৰ মাথোন মৰিবলৈ আৰু তাৰ পাছত সোধ-
বিচাৰ মানুহৰ কাৰণে নিৰূপিত আছে,
28 তেনেকৈ খ্ৰীষ্টও অনেকৰ পাপৰ ভাৰ ববৰ কাৰণে এবাৰ উৎসৃষ্ট
হ�লত; দ্বিতীয় বাৰ বিনাপাপে তেওঁলৈ অপেক্ষা কৰি থকা সকলক
তেওঁ পৰিত্ৰাণৰ অৰ্থে দৰ্শন দিব।

# 10 অধ্যায়

### নতুন নিয়ম অনুসাৰে যজ্ঞৰ উৎকৃষ্টতা

1 কিয়নো বিধান ভাবি মঙ্গলৰ ছায়া বিশিষ্ট হৈ, বিধান সেইবোৰ
বিষয়ৰ প্ৰকৃত ৰূপ নহয়৷ সেয়েহে যি সকল পুৰোহিতে ঈশ্বৰৰ উপাসনা
কৰিবলৈ আহে, তেওঁলোকে বছৰ বছৰ একে ৰূপে বাৰে বাৰে বলিদান
কৰে; কিন্তু বিধানে সেইবোৰৰ দ্বাৰাই চাপি যোৱা সকলক কেতিয়াও
সিদ্ধ কৰিব নোৱাৰে।
2 পৰা হ�লে, উৎসৰ্গ কৰা স্থগিত হ�লহেতেন নহয় নে? কিয়নো
আৰাধনাকাৰী সকল এবাৰ শুচিকৃত হোৱা হ�লে, তেওঁলোকৰ কোনো
পাপ বিবেক পুনৰ নাথাকিলেহেতেন।
3 কিন্তু সেই সকলোবোৰৰ দ্বাৰাই বছৰে বছৰে পাপহে সোঁৱৰণ কৰা
হৈছে।
4 কিয়নো পাপ গুচাবলৈ ভতৰা আৰু ছাগলীৰ তেজৰ সাধ্য নাই৷
5 এই হেতুকে খ্ৰীষ্টে জগতত সোমোৱা কালত কয়,
তুমি বলিদান আৰু নৈবেদ্যলৈ ইচ্ছা নকৰিলা, কিন্তু মোৰ বাবে শৰীৰ
যুগুত কৰিলা;
6 হোমত আৰু পাপাৰ্থক বলিদানত তুমি সন্তুষ্ট নহ�লা;

7 তেতিয়া মই কলোঁ, চোৱা মই আহিলোঁ, পুস্তকত মোৰ বিষয়ে যেনেদৰে লিখা আছে, হে ঈশ্বৰ, মই তোমাৰ ইচ্ছা পালন কৰিবলৈ আহিলোঁ*।

8 তেওঁ পূৰ্বৰ বিৱৰণ অনুসৰি কয়, "বলিদান, নৈবেদ্য, হোম আৰু
পাপাৰ্থক বলিদানলৈ তুমি ইচ্ছা নকৰিলা, আৰু সেইবোৰত সন্তুষ্টও
নহ�লা," যদিও এইবোৰ বলিদান বিধান অনুসৰি উৎসৰ্গ কৰা হয়৷
9 তাৰ পাছত ক�লে, "চোৱা মই তোমাৰ ইচ্ছা পালন কৰিবলৈ
আহিলোঁ।" তেওঁ দ্বিতীয়টো স্থাপিত কৰিবৰ কাৰণে, প্ৰথমটো আতৰাই
পেলালে।
10 সেইদৰে দ্বিতীয়টো স্থাপিত হোৱাৰ যোগেদি ঈশ্বৰৰ ইচ্ছাৰে আমি
যীচু খ্ৰীষ্টৰ শৰীৰ বলিদান স্বৰূপে একেবাৰে উৎসৰ্গ কৰাৰ দ্বাৰাই
পবিত্ৰীকৃত হলোঁ।
11 প্ৰতিজন পুৰোহিতে থিয় হৈ দিনে দিনে সেৱা কাৰ্য কৰি, যি
প্ৰকাৰৰ বলিদানে কেতিয়াও পাপ গুচাব নোৱাৰে, সেই একে প্ৰকাৰৰ
বলিদান বাৰে বাৰে উৎসৰ্গ কৰি থাকে;
12 কিন্তু খ্ৰীষ্টে হ�লে, একমাত্ৰ পাপাৰ্থক বলিদান উৎসৰ্গ কৰিলে
আৰু সদাকালৰ অৰ্থে ঈশ্বৰৰ সোঁফালে বহিল৷
13 তেতিয়াৰে পৰা তেওঁ শত্ৰু সকলক তেওঁৰ ভৰি-পীৰা নকৰা
পৰ্য্যন্ত অপেক্ষা কৰি আছে।
14 কাৰণ তেওঁ পবিত্ৰ কৰা সকলক একমাত্ৰ নৈবেদ্যৰ দ্বাৰাই
সদাকালৰ অৰ্থে পবিত্ৰীকৃত কৰিলে।
15 ইয়াৰ উপৰি পবিত্ৰ আত্মায়ো আমাক সাক্ষ্য দিছে; সেয়েহে
প্ৰথমে তেওঁ কৈছে,

16 সেই দিনৰ পাছত প্ৰভুৱে কৈছে, তেওঁলোকে সৈতে মই এই নিয়ম কৰিম৷ মই তেওঁলোকৰ হৃদয়ত মোৰ বিধান গাঠি দিম, আৰু তেওঁলোকৰ মনত সেইবোৰ লিখি দিম†;

17 এই কথা কোৱাৰ পাছত তেওঁ পুনৰ কয়: মই তেওঁলোকৰ পাপ আৰু অধৰ্মবোৰ পুনৰ সোঁৱৰণ নকৰিম‡।

* **10 অধ্যায়:7** গীতমালা 40:6-8 † **10 অধ্যায়:16** যিৰিমিয়া 31:33 ‡ **10 অধ্যায়:17** যিৰিমিয়া 31:34

18 সেয়েহে এবাৰ যেতিয়া সেই সকলো পাপ-মোচন কৰা হ'ল,
এনে স্থলত পাপৰ বাবে পুনৰ বলিদান কৰাৰ কোনো প্ৰয়োজন নাই।

## ধৈৰ্য ধৰি থাকিবলৈ উদগণি

19 এতেকে, হে ভাই সকল, সেই মহা-পবিত্ৰ স্থানত প্ৰৱেশ কৰাৰ
সম্পূৰ্ণ অধিকাৰ আমাৰ আছে৷ যীচুৰ তেজৰ গুণত আমি নিৰ্ভিকতাৰ
সৈতে সেই ঠাইত প্ৰৱেশ কৰিব পাৰোঁ৷
20 তেওঁ আমাৰ কাৰণে সেই আঁৰ-কাপোৰৰ মাজেদি এটা পথ
মুকলি কৰিলে অৰ্থাৎ তেওঁৰ শৰীৰৰ যোগেদি আমাৰ বাবে সেই পথে
মুকলি কৰি দিলে, সেই পথ নতুন আৰু জীৱনময়৷
21 আৰু আমাৰ কাৰণে ঈশ্বৰৰ গৃহৰ ওপৰত নিযুক্ত এজন মহান
পুৰোহিত থকাত,
22 সেয়েহে আহক, আমাৰ হৃদয় কু-বিবেকৰ পৰা নিৰ্মল কৰা
হোৱাত, সত্য হৃদয়ৰ সহিত সম্পূৰ্ণ নিশ্চয়তাযুক্ত বিশ্বাসেৰে ঈশ্বৰৰ
ওচৰলৈ চাপি যাওঁহক,
23 এতিয়া আহক, আমাৰ শৰীৰো শুদ্ধ পানীৰে ধুউৱা হোৱাত, আমি
স্বীকাৰ কৰা আশা দৃঢ় ৰূপে ধৰি ৰাখোহঁক; কিয়নো যি জনে প্ৰতিজ্ঞা
কৰিলে তেওঁ বিশ্বাসী।
24 সেয়েহে সকলোৱে প্ৰেমত আৰু সৎকৰ্মত উদগণি দিবলৈ
পৰস্পৰে গভীৰ ভাবে চিন্তা কৰি চাওঁ আহক;
25 কোনো কোনো জনৰ দস্তুৰ মতে আমি গোট হৈ সমৱেত হোৱাৰ
অভ্যাস ত্যাগ নকৰোঁ আহক; কিয়নো দিন যিমান ওচৰ হৈ আহিছে,
সিমানে অধিককৈ পৰস্পৰে পৰস্পৰক উদগাওহক।
26 যদি সত্যৰ তত্ত্ব-জ্ঞান পোৱাৰ পাছত আমি জানি শুনি পাপ-
আচৰণ কৰোঁ, তেনেহলে পাপৰ কাৰণে বলিদান কৰা পুনৰ বাকী
নাথাকে;
27 কেৱল সোধ-বিচাৰৰ এক ৰকম ভয়ংকৰ অপেক্ষা, আৰু ঈশ্বৰৰ
বিপক্ষ সকলক গ্ৰাস কৰিবলৈ উদ্যত হৈ থকা অনন্ত জুই ৰৈ থাকিব।
28 যি কোনোৱে মোচিৰ বিধান অৱহেলা কৰে, তেওঁ দুই বা তিনি
সাক্ষীৰ প্ৰমাণেৰে, নিৰ্দয়ভাবে মৰিব লগা হয়।

29 তেনেহলে ঈশ্বৰৰ পুত্ৰক যি জনে ভৰিৰ তলত গছকে, আৰু
নিয়মৰ যি তেজৰ দ্বাৰাই তেওঁ পবিত্ৰীকৃত হৈছিল, সেই তেজক যি
জনে অশুচি কৰে, আৰু অনুগ্ৰহৰ আত্মাৰ অপমান কৰে, সেই জন
আপোনালোকৰ বিবেচনা অনুসৰি, তেওঁ তাতকৈ কিমান দুৰ্ঘোৰ দণ্ডৰ
যোগ্য-পাত্ৰ বুলি গণিত হ'ব!
30 কিয়নো আমি জানো, তেওঁ কৈছে, “প্ৰতিশোধ লোৱা মোৰ কৰ্ম,
মইহে প্ৰতিফল দিম;” আৰু কৈছে, “প্ৰভুৱে নিজৰ লোক সকলৰ
সোধ-বিচাৰ কৰিব৷”
31 জীৱনময় ঈশ্বৰৰ হাতত পৰা অতি ভয়ংকৰ কথা।

32 সেই পূৰ্বকালৰ দিনবোৰ সোঁৱৰণ কৰক, আপোনালোকে পোহৰ
পোৱাৰ পাছত, যিবোৰ দুখ আৰু কষ্ট ভোগ কৰিব লগা হৈছিল, তথাপি
আপোনালোক স্থিৰ আছিল৷
33 কেতিয়াবা লোক সকলে আপোনালোকক প্ৰকাশ্যে নিন্দা
কৰিছিল আৰু বহু মানুহৰ সন্মুখত আপোনালোক নিৰ্যাতিত হৈছিল৷
কেতিয়াবা অন্য লোকৰ ওপৰত আপোনালোকৰ দৰে নিৰ্যাতন হোৱা
দেখি, আপোনালোকেও সেই লোক সকলক সহানুভূতি দেখুৱাইছিল৷
34 যি সকল কাৰাগাৰত বন্দী আছিল, আপোনালোকে তেওঁলোকক
সাহায্য কৰিছিল আৰু তেওঁলোকৰ দুখত সহানুভূতিশীল হৈছিল৷
আপোনালোকৰ কোনো বস্তু কোনোবাই বাজেয়াপ্ত কৰিলেও,
আপোনালোকে আনন্দ কৰিছে, কাৰণ আপোনালোকে জানিব
পাৰিছে যে, এইবোৰ বস্তুতকৈ উৎকৃষ্ট আৰু চিৰস্থায়ী এটা সম্পদ
আপোনালোকৰ বাবে আছে৷
35 এতেকে আপোনালোকে সাহস নেহেৰুৱাব, সেই সাহসে
আপোনালোকক মহা-পুৰষ্কাৰ আনি দিব৷
36 কিয়নো আপোনালোকে ঈশ্বৰৰ ইচ্ছা পালন কৰি প্ৰতিজ্ঞাৰ ফল
যেন পায়, তাৰ বাবে আপোনালোকৰ ধৈৰ্যৰ প্ৰয়োজন আছে।
37 কিয়নো অলপতে আহিব লগা জন আহিব ধৰিছে, পলম নকৰিব।
38 কিন্তু মোৰ ধাৰ্মিক জন বিশ্বাসৰ দ্বাৰাই জীয়াই থাকিব; কিন্তু যদি
হুঁহকি যায়, তেনেহলে মোৰ প্ৰাণ সেই জনত সন্তুষ্ট নহ'ব§।

§ **10 অধ্যায়:38** হবক্কুক 2:3-4

39 কিন্তু যিবোৰে সৰ্ব্বনাশলৈ হুঁহকি যায়, আমি তেওঁলোকৰ মাজৰ
নহওঁ; আমি জীৱাত্মাৰ ৰক্ষা লাভ কৰিবৰ বাবে বিশ্বাস কৰা সকলৰ
মাজৰহে হৈছোঁ।

# 11 অধ্যায়

## বিশ্বাসৰ মহাত্ম্য বিশ্বাসৰ বীৰ সকলৰ তালিকা

1 বিশ্বাস হৈছে, আশা কৰা বিষয়ৰ নিশ্চিত জ্ঞান, অদৃশ্য বিষয়ৰ
প্ৰমাণ প্ৰাপ্তি।
2 কিয়নো তাতেই বিশ্বাসৰ দ্বাৰাই আমাৰ বৃদ্ধ পুৰুষ সকলে সাক্ষ্য
পালে।
3 বিশ্বাসৰ দ্বাৰাই আমি বুজিলো যে, সৃষ্টি খন ঈশ্বৰৰ বাক্যৰ যোগেদি
স্থাপন কৰা হ□ল; তাতে দৃশ্যবস্তুবোৰ যে প্ৰকাশিত বস্তুবোৰৰ পৰা
উৎপন্ন কৰা হ□ল, এনে নহয়।
4 বিশ্বাসৰ গুণে হেবলে ঈশ্বৰৰ উদ্দেশ্যে কয়িনতকৈয়ো উত্তম
বলিদান উৎসৰ্গ কৰিলে; আৰু তাৰ দ্বাৰায়েই, তেওঁ যে ধাৰ্মিক, ইয়াৰে
সাক্ষ্য পালে৷ ঈশ্বৰে তেওঁৰ উপহাৰৰ বিষয়ে সাক্ষ্য দিছিল; আৰু তাৰ
দ্বাৰাই তেওঁ মৃত হৈয়ো এতিয়ালৈকে কথা কৈ আছে।
5 বিশ্বাসৰ গুণে, হনোকে মৃত্যু নেদেখিবৰ কাৰণে, তেওঁক
লোকান্তৰলৈ নিয়া হ□ল; তাতে তেওঁক পোৱা নগ□ল; কিয়নো ঈশ্বৰে
তেওঁক লোকান্তৰলৈ নিলে; কাৰণ লোকান্তৰলৈ নিয়াৰ পূৰ্বেই, তেওঁ
যে ঈশ্বৰক সন্তুষ্ট কৰিলে, ইয়াৰ সাক্ষ্য পালে।
6 কিন্তু বিনা বিশ্বাসেৰে ঈশ্বৰক সন্তুষ্ট কৰা অসাধ্য; কিয়নো, ঈশ্বৰ
যে আছে, আৰু তেওঁ যে তেওঁক বিচৰা লোকৰ পুৰস্কাৰ দিওঁতা হয়,
ইয়াকে তেওঁৰ ওচৰলৈ চপা মানুহে বিশ্বাস কৰিব লাগে।
7 বিশ্বাসৰ গুণে নোহে, ভাবি বিষয়ত আদেশ পাই ভয়তে নিজৰ
পৰিয়ালৰ পৰিত্ৰাণৰ অৰ্থে এখন জাহাজ নিৰ্ম্মাণ কৰিলে, আৰু তাৰ
দ্বাৰাই জগতক দোষী কৰি, নিজে বিশ্বাসমূলক ধাৰ্মিকতাৰ অধিকাৰী
হ□ল।
8 ঈশ্বৰত বিশ্বাস আছিল কাৰণে ঈশ্বৰে যেতিয়া অব্ৰাহামক আহ্বান
কৰিলে, তেতিয়া তেওঁ বাধ্য হ□ল, আৰু তেওঁক যি দেশ দিম বুলি

ঈশ্বৰে কৈছিল, সেই দেশ অধিকাৰ কৰিবৰ বাবে তেওঁ গৈছিল; আৰু
ক৾লৈ যাব লাগে, সেই বিষয়ে নাজানিও ওলাই গৈছিল।
9 এইদৰে বিশ্বাসৰ দ্বাৰাই তেওঁ বিদেশীৰ দৰে প্ৰতিজ্ঞাৰ দেশত
প্ৰবাসী হৈ থাকিলা সেই একে প্ৰতিজ্ঞাৰ সহধিকাৰী ইচহাক আৰু
যাকোবৰ সহিত তম্বুত বাস কৰিছিল;
10 কিয়নো যি নগৰৰ প্ৰতিস্থাপক আৰু নিৰ্ম্মাণকৰ্ত্তা ঈশ্বৰ, সেই
ভিত্তিমূল থকা নগৰ বাবে তেওঁ অপেক্ষা কৰি আছিল।
11 বিশ্বাসৰ যোগেদি অব্ৰাহাম আৰু চাৰায়ো অতিৰিক্ত বয়সত বংশ
উৎপাদনৰ শক্তি পালে; কিয়নো তেওঁ প্ৰতিজ্ঞা কৰা জনক বিশ্বাসী বুলি
জ্ঞান কৰিছিল।
12 এই হেতুকে এজনৰ পৰা, সেই মৃত্যু তুল্য জনৰ পৰাই, লেখত
আকাশৰ তৰাবোৰৰ সমান, আৰু সাগৰৰ তীৰত থকা বালিৰ নিচিনা
অসংখ্য লোক উৎপন্ন হ৾ল।

13 সেই সকলো বিশ্বাসত মৰিল; তেওঁলোকে প্ৰতিজ্ঞাবোৰৰ ফল
নাপালে; কিন্তু দূৰৈতে সেইবোৰক দেখি নমস্কাৰ কৰিছিল; আৰু
নিজে যে পৃথিৱীত বিদেশী আৰু প্ৰবাসী, তাক স্বীকাৰ কৰিছিল।
14 কিয়নো যি সকলে এনেকুৱা কথা কয়, তেওঁলোকে যে নিজ
দেশ বিচাৰিছে, ইয়াকে প্ৰকাশ কৰে।
15 তেওঁলোকে যি দেশৰ পৰা ওলাই আহিছিল, তালৈ মন কৰা
হ৾লে, অৱশ্যে উলটি যাবলৈ সু-সময় পালেহেঁতেন।
16 কিন্তু এতিয়া তেওঁলোকে তাতকৈ এটি উত্তম স্বৰ্গীয় দেশলৈ
আকাংক্ষা কৰে; এই হেতুকে ঈশ্বৰে, তেওঁলোকৰ ঈশ্বৰ বুলি প্ৰখ্যাত
হ৾বলৈ লাজ নাপায়; কিয়নো তেওঁলোকৰ কাৰণে তেওঁ এখন নগৰ
যুগুত কৰিলে।

17 অব্ৰাহাম পৰীক্ষিত হোৱাত, বিশ্বাসৰ দ্বাৰাই ইচহাকক উৎসৰ্গ
কৰিলো হয়, তেওঁ আনন্দেৰে সেই প্ৰতিজ্ঞা গ্ৰহন কৰি নিজৰ একমাত্ৰ
পুত্ৰক উৎসৰ্গ কৰিলে,
18 যি জনৰ বিষয়ে কৈছিল, "ইচহাকৰ জৰিয়তে তোমাৰ বংশধৰ
সকলক দেখা পাবা।"

19 কাৰণ ঈশ্বৰে যে মৃত লোকৰ মাজৰ পৰাও তুলিব পাৰে, ইয়াকে
অব্ৰাহামে দৃঢ় বিশ্বাস কৰিছিল, আৰু তাৰ পৰা দৃষ্টান্ত স্বৰূপে তেওঁক
পুনৰায় পালেও।
20 বিশ্বাসৰ দ্বাৰাই ইচহাকে ভবিষ্যত বিষয়ৰ কথাত যাকোব আৰু
এচৌক আশীৰ্বাদ কৰিলে।
21 বিশ্বাসৰ দ্বাৰাই যাকোবে, মৰণ-কালত যোচেফৰ পুত্ৰ দুজনৰ
প্ৰতিজনক আশীৰ্বাদ কৰিলে; আৰু নিজৰ লাখুটিৰ মূৰত ভৰ দি,
ভজনাও কৰিলে।
22 বিশ্বাসৰ দ্বাৰাই যোচেফে অন্তিম কালত মিচৰ দেশৰ পৰা
ইস্ৰায়েলৰ সন্তান সকলক ওলাই যোৱাৰ বিষয়ে উল্লেখ কৰিলে, আৰু
নিজৰ অস্থিৰ বিষয়ে আদেশ দিলে।

23 মোচিৰ জন্ম হোৱাত মাক-বাপেকে তিনি মাহলৈকে তেওঁক
লুকুৱাই থোৱা হৈছিল; বিশ্বাস আছিল কাৰণে তেওঁলোকে তেনেকৈ
ৰাখিছিল৷ কিয়নো তেওঁলোকে দেখিলে যে, লৰা জন অতি সুন্দৰ;
আৰু ৰজাৰ আজ্ঞালৈ তেওঁলোকে ভয় নকৰিলে।
24 বিশ্বাসৰ দ্বাৰাই মোচি বয়সত বৃদ্ধি পায় বাঢ়িবলৈ ধৰিলে, আৰু
ফৌৰণৰ জীয়েকৰ পুত্ৰ বুলি প্ৰখ্যাত হবলৈ অস্বীকাৰ কৰিলে;
25 কিয়নো তেওঁ পাপৰ অলপদিনীয়া সুখভোগ কৰাতকৈ, ঈশ্বৰৰ
লোকৰ লগত দুখভোগ কৰাকে মনোনীত কৰিলে,
26 আৰু মিচৰৰ সকলো সম্পত্তিতকৈ খ্ৰীষ্টৰ নিন্দা মহা ধন জ্ঞান
কৰিলে; কিয়নো তেওঁ পুৰস্কাৰ-দানলৈ দৃষ্টি কৰিছিল।
27 বিশ্বাসৰ গুণে তেওঁ ৰজাৰ ক্ৰোধলৈ ভয় নকৰি, মিচৰ দেশ ত্যাগ
কৰিলে; কিয়নো অদৃশ্য জনক দেখা পোৱাৰ দৰে তেওঁ থিৰে থাকিল।
28 আৰু প্ৰথমে জন্ম পোৱা সকলৰ সংহাৰকৰ্ত্তাই তেওঁলোকক
স্পৰ্শ নকৰিবৰ কাৰণে, তেওঁ বিশ্বাসৰ গুণে নিস্তাৰ-পৰ্ব পালন আৰু
তেজ লগোৱা কাৰ্য কৰিলে।
29 বিশ্বাসৰ দ্বাৰাই তেওঁলোকে, শুকান মাটিয়েদি যোৱাৰ দৰে,
লোহিত সাগৰৰ মাজেদি যাত্ৰা কৰিলে; কিন্তু মিচৰ দেশৰ লোক
সকলে আহিবলৈ চেষ্টা কৰোঁতে তেওঁলোকক গ্ৰাস কৰা হল।
30 বিশ্বাসৰ দ্বাৰাই সাত দিন যিৰীহোৰ গড় প্ৰদক্ষিণ কৰোঁতে সেই
গড় খহি পৰিল।

31 বিশ্বাসৰ দ্বাৰাই ৰাহাব বেশ্যাই চোৰাংচোৱা সকলক শান্তিৰে
আলহীৰূপে গ্ৰহন কৰোঁতে, অবাধ্য সকলৰ লগত তেওঁ বিনষ্ট নহ□ল।
32 আৰু অধিক কি ক□ম, গিদিয়োন, বাৰাক, চিমচোন, যিপ্তহ,
দায়ুদ, চমূৱেল, আৰু ভাৱবাদী সকল, এই সকলোৰে বৃত্তান্ত ক□বলৈ
গলে সময় নোজোৰে;
33 তেওঁলোকে বিশ্বাসৰ দ্বাৰাই নানা ৰাজ্য পৰাজয় কৰিলে,
ধাৰ্মিকতাৰ কৰ্ম কৰিলে, প্ৰতিজ্ঞাৰ ফল পালে, সিংহবোৰৰ মুখ বন্ধ
কৰিলে, অগ্নিৰ তাপ নুমুৱালে,
34 তৰোৱালৰ মুখৰ পৰা হাত সাৰিলে, দূৰ্বলতাৰ পৰাও বলৱন্ত
হ□ল, যুদ্ধত পৰাক্ৰমী হ□ল, অন্য জাতিৰ সৈন্যবোৰক হৰুৱালে।
35 তিৰোতা সকলে নিজ নিজ মৃত লোকক পুনৰুত্থানৰ দ্বাৰাই
পুনৰায় পালে; আৰু আন লোক সকলে শ্ৰেষ্ঠ পুনৰুত্থানৰ ভাগী হ□বৰ
কাৰণে, মুক্তি অগ্ৰাহ্য কৰি, যন্ত্ৰণা-যন্ত্ৰত প্ৰহাৰৰ দ্বাৰাই হত হ□ল।
36 আন আন মানুহে বিদ্ৰূপ আৰু চাবুকৰ কোব, বন্ধন আৰু
বন্দীশালৰ পৰীক্ষা পালে;
37 তেওঁলোকক শিল দলিয়াই মৰা হ□ল, কৰতেৰে ফলা হ□ল,
তেওঁলোক নানা ধৰণৰ পৰীক্ষাৰে পৰীক্ষিত হ□ল; তেওঁলোকক
তৰোৱালেৰে বধ কৰা হ□ল; তেওঁলোকে দীনহীন, আৰু ক্লেশ আৰু
অত্যাচাৰ প্ৰাপ্তহৈ, মেষ আৰু ছাগলীৰ ছাল পিন্ধি ফুৰিছিল;
38 (এই জগত তেওঁলোকৰ যোগ্য নাছিল;) তেওঁলোক নিৰ্জন
ঠাইত, পৰ্বতত, গুহাত, আৰু পৃথিৱীৰ গহ্বৰত ফুৰিছিল;
39 এই সকলোৱে, বিশ্বাসৰ দ্বাৰাই সাক্ষ্য পালেও, প্ৰতিজ্ঞাৰ ফল
নাপালে;
40 কিয়নো ঈশ্বৰে আমাৰ কাৰণে কোনো শ্ৰেষ্ঠ বিষয় যুগুত কৰি
ৰখা বাবে আমাৰ অবিহনে তেওঁলোকক সিদ্ধ হ□বলৈ নিদিলে।

# 12 অধ্যায়

## বীৰত্ব আৰু ধৈৰ্য আদি অৱলম্বন কৰিবলৈ আশ্বাসবাক্য

1 এতেকে ইমানবোৰ সাক্ষীয়ে আমাক চাৰিওফালে বেৰি থকা দেখি,
আহক, আমিও আটাই বাধা আৰু আমাক লগ ধৰি থকা পাপ দূৰ কৰি
আমাৰ আগত থকা দৌৰৰ পথত ধৈৰ্যৰে দৌৰোহঁক,
2 আহক আমাৰ বিশ্বাসৰ আদি আৰু সিদ্ধিকৰ্ত্তা যীচুলৈ চাই
থাকোঁহঁক; তেওঁ তেওঁৰ আগত থকা আনন্দৰ কাৰণে অপমানকে
হেয়জ্ঞান কৰি, ক্রুচ যন্ত্ৰণা সহন কৰি, ঈশ্বৰৰ সিংহাসনৰ সোঁফালে
বহিল।
3 এতেকে আপোনালোকে যেন নিজ নিজ প্ৰাণৰ ক্লান্তিত ক্লান্ত
নহব, এই কাৰণে যি জনে নিজৰ বিৰুদ্ধে কৰা পাপী সকলৰ এনে
প্ৰতিবাদ সহন কৰিছিল, তেওঁলৈ মনোযোগ কৰোঁ আহক।
4 আপোনালোকে পাপৰ লগত যুদ্ধ কৰি এতিয়াও তেজ বোৱালৈকে
প্ৰতিৰোধ কৰা নাই;
5 আৰু যি আশ্বাসৰ বাণীয়ে, পুত্ৰ বুলি আপোনালোকৰ লগত কথা-
বাৰ্ত্তা কৰিছে, বোলে-
“হে মোৰ পুত্ৰ প্ৰভুৰ
শাসন হেয়জ্ঞান
নকৰিবা, আৰু তেওঁৰ
পৰা অনুযোগ পালে
ক্লান্ত নহবা”;
6 কিয়নো প্ৰভুৱে যাক প্ৰেম কৰে, তেওঁক শাস্তি দিয়ে, আৰু
তেওঁ গ্ৰহন কৰা প্ৰতিজন পুত্ৰক কোবায়; এই কথা আপোনালোকে
পাহৰিলে।
7 আপোনালোকে যি সহন কৰি আছে, সেয়ে আপোনালোকৰ
শাসনৰ অৰ্থে, ঈশ্বৰে পুত্ৰ সকলৰ প্ৰতি যেনেকৈ, তেনেকৈ
আপোনালোকৰ প্ৰতিও ব্যৱহাৰ কৰি আছে; কিয়নো পিতৃয়ে শাস্তি
নিদিয়া এনে কোন পুত্ৰ আছে?
8 কিন্তু সকলোৱে যি শাসনৰ সহভাগী হ৹ল, আপোনালোকে যদি
তাৰ ভাগী নহয়, তেনেহলে আপোনালোক জাৰজহে পুত্ৰ নহয়।
9 ইয়াৰ বাহিৰেও আমাৰ মাংসিক পিতৃ সকল শাসনকৰ্তা আছিল,
আৰু আমি তেওঁলোকক সমাদৰ কৰিছিলোঁ; পাছত তাতকৈ, যি জন
আত্মা সমূহৰ পিতৃ, তেওঁৰ বশীভূত হৈ জীৱন-ধাৰণ নকৰিম নে?

10 তেওঁলোকে হলে, যেনেকৈ উচিত দেখিছিল, তেনেকৈ অলপ
দিনৰ কাৰণে শাস্তি দিছিল; কিন্তু তেওঁ হলে আমাৰ হিতৰ কাৰণে,
অৰ্থাৎ আমি যেন তেওঁৰ পবিত্ৰতাৰ ভাগী হওঁ, তাৰ কাৰণে শাস্তি দিছে।
11 সকলো শাস্তি উপস্থিত সময়ত আনন্দৰ বিষয় নহয়, কিন্তু দুখৰ
বিষয় যেন দেখা যায়, তথাপি পাছত তাৰ দ্বাৰাই অভ্যাস পোৱা লোক
সকলক ধাৰ্মিকতাৰ শান্তিযুক্ত ফল দিয়ে।

12 এই কাৰণে আপোনালোকে ওলমি পৰা হাত আৰু জঠৰ আঁঠু
পোন কৰক;
13 আৰু খোৰাই যেন বিপথগামী নহয়, বৰং সুস্থ হয়, এই কাৰণে
নিজ নিজ ভৰি লৈ, পোন বাট কৰক।

14 সকলোৰে সহিত ঐক্য*, আৰু যি পবিত্ৰতাৰ অবিহনে কোনেও
প্ৰভুৰ দৰ্শন নাপাব, সেই পবিত্ৰতাকো খেদি যাওঁক;
15 পাছত জানো কোনোৱে ঈশ্বৰৰ অনুগ্ৰহবিহীন হয়, বা কোনো
তিতাৰ মূল ওলাই আপোনালোকৰ বিঘিনি জন্মোৱাত, তাৰ দ্বাৰাই
অধিক ভাগ অশুচি হৈ যায়;
16 বা এসাঁজ আহাৰৰ কাৰণে নিজ জ্যেষ্ঠাধিকাৰ বেচা যি এচৌ,
তেওঁৰ নিচিনা কোনো ধৰ্মনিন্দক, বা কোনো ব্যভিচাৰী হয়, তালৈ
সাৱধানে দৃষ্টি ৰাখিবা।
17 কিয়নো আপোনালোকে জানে যে, এচৌৱে পাছত সেই
আশীৰ্বাদৰ অধিকাৰী হবৰ বাবে ইচ্ছা কৰিলে আৰু চকুলোৰে সযত্নে
বিচাৰিলতো, অগ্ৰাহ্য হল, কাৰণ তেওঁ মন-পালটন কৰিবলৈ ঠাই
নাপালে।
18 কিয়নো স্পৰ্শনীয় আৰু অগ্নিৰে প্ৰজ্বলিত পৰ্বত কলা বৰণীয়া
মেঘ, আন্ধাৰ, ধুমুহা, বতাহ, তুৰীৰ ধ্বনি, আৰু বাক্যৰ শব্দ, এইবোৰৰ
ওচৰলৈ আপোনালোক অহা নাই;
19 সেই মাত শুনা লোক সকলে এই প্ৰাৰ্থনা কৰিলে যে,
তেওঁলোকক যেন পুনৰ কোনো বাক্য কোৱা নহয়;
20 কিয়নো কোনো পশুৱেও যদি সেই পৰ্বত স্পৰ্শ কৰে, তেনেহলে
তাক শিল দলিয়াই মৰা হব, এই আজ্ঞা তেওঁলোকে সহিব নোৱাৰিলে,

* **12 অধ্যায়:14** ঐক্য শান্তি

21 আৰু সেই দৰ্শন এনে ভয়ঙ্কৰ যে, মোচিয়ে কৈছিল, মই বৰ ভয়
পাই কঁপি আছোঁ;
22 কিন্তু চিয়োন পৰ্বত, জীৱনময় ঈশ্বৰৰ নগৰ, স্বৰ্গীয় যিৰূচালেম,
আৰু তাত দহ হাজাৰ স্বৰ্গৰ দূতে গুণ-কীৰ্তন কৰে৷
23 স্বৰ্গত নাম লিখা প্ৰথমে জন্ম পোৱা সকলৰ মহাসভা আৰু মণ্ডলী,
সকলোৰে বিচাৰকৰ্তা ঈশ্বৰ, সিদ্ধ হোৱা ধাৰ্মিক লোক সকলৰ আত্মা
সমূহ,
24 নতুন নিয়মৰ মধ্যস্থ যীচু, আৰু হেবলতকৈ অতি উত্তম কথা
কওঁতা শান্তি কৰা তেজ, এই সকলোৰ ওচৰলৈ অ াপোনালোক
আহিল।
25 সাৱধান, বাক্য কওঁতা জনক আপোনালোকে অগ্ৰাহ্য নকৰিব,
কিয়নো যি জনে পৃথিৱীত আদেশ দিছিল সেই জনক অগ্ৰাহ্য কৰা
সকলেই যদি নাসাৰিল, তেনেহলে যি জনে স্বৰ্গৰ পৰাই আদেশ দিলে,
তেওঁৰ কৰা বিমুখ হলে আমি যে নাসাৰিম; এই কথা কিমান অধিক
গুণে নিশ্চয়!
26 তেতিয়া তেওঁৰ ধ্বনিয়ে পৃথিৱী লৰাইছিল; কিন্তু এতিয়া তেওঁ
প্ৰতিজ্ঞা কৰিলে, বোলে, আৰু এবাৰ মই কেৱল পৃথিৱী লৰাম, এনে
নহয় আকাশকো লৰাম।
27 ইয়াতে, আৰু এবাৰ, এই শব্দই, অলৰ বস্তুবোৰ থাকিবৰ
কাৰণে, নিৰ্ম্মিত বস্তুৰ দৰে লৰোৱা বস্তুবোৰ দূৰ কৰা বুজাইছে।
28 এই হেতুকে আমি অলৰ ৰাজ্যৰ অধিকাৰী হোৱাত, আহা, যি
অনুগ্ৰহৰ দ্বাৰাই আমি ভক্তি আৰু ভয়েৰে সন্তোষজনক ৰূপত ঈশ্বৰৰ
আৰাধনা কৰিব পাৰোঁ, সেই অনুগ্ৰহ গ্ৰহন কৰি লওঁহক;
29 কিয়নো আমাৰ ঈশ্বৰ গ্ৰাসকাৰী অগ্নিস্বৰূপ।

# 13 অধ্যায়

### নানা ধৰ্মবিধি আৰু শেষ কথা

1 ভাতৃ-প্ৰেম চলি থাকক।
2 আপোনালোকে অতিথি সেৱা নাপাহৰিব; কিয়নো তাৰ দ্বাৰাই
কোনো কোনোৱে নাজনাকৈয়ে স্বৰ্গৰ দূত সকলকেই আলহী সুধিলে।

3 বন্দীয়াৰ সকলক লগৰ বন্দীয়াৰ যেন গণ্য কৰি তেওঁলোকক
সোঁৱৰণ কৰক; নিজেও শৰীৰত জীয়াই থকা বুলি জ্ঞান কৰি অত্যাচাৰ
পোৱা সকলক সোঁৱৰণ কৰক।
4 সকলোৰে মাজত বিবাহ আদৰণীয়, আৰু তাৰ শয্যা শুচি হওক;
কিয়নো ব্যভিচাৰী আৰু পৰস্ত্ৰীগামী সকলৰ সোধ-বিচাৰ ঈশ্বৰে কৰিব।
5 আপোনালোকৰ আচাৰ-ব্যৱহাৰ নিৰ্লোভী হওক, অৰ্থাৎ ধন
সম্পত্তিক প্ৰেম কৰা নহওক; আপোনালোকৰ যি আছে, তাতে
আপোনালোক সন্তুষ্ট হৈ থাকক; কিয়নো তেৱেঁ কৈছে,

মই তোমাক কেতিয়াও

নেৰিম, কেতিয়াও

ত্যাগ নকৰিম।

6 এতেকে আমি সাহসেৰে ক'ব পাৰোঁ যে,

প্ৰভু মোৰ সহায়কৰ্তা;

মই ভয় নকৰিম;

মানুহে মোক কি

কৰিব?

7 আপোনালোকৰ যি নায়ক সকলে আপোনালোকক ঈশ্বৰৰ বাক্য
কৈ গ'ল, তেওঁলোকক সোঁৱৰণ কৰক; আৰু তেওঁলোকৰ জীৱন,
আচৰণৰ শেষগতি চাই-চিন্তি, তেওঁলোকৰ বিশ্বাসৰ অনুকাৰী হওক।
8 যীচু খ্ৰীষ্ট কালি, আজি, আৰু চিৰকাললৈকে সেই একে হৈ আছে।
9 আপোনালোক নানা বিধ নতুন শিক্ষাৰ দ্বাৰাই বিপথে চালিত
নহ'ব; কিয়নো সেই আহাৰ ব্যৱহাৰ কৰা সকলৰ হিতজনক নহ'ল,
সেই আহাৰৰ দ্বাৰাই নহয়, অনুগ্ৰহৰ দ্বাৰাইহে হৃদয় স্থিৰ কৰা ভাল৷
10 যি বেদিত ভোজন কৰিবলৈ তম্বুত আৰাধনা কৰা সকলৰ ক্ষমতা
নাই, এনে এটি বেদি আমাৰ আছে।
11 কিয়নো যি যি প্ৰাণীৰ তেজ পাপৰ বলিদান স্বৰূপে মহা-
পুৰোহিতৰ দ্বাৰাই পবিত্ৰ স্থানৰ ভিতৰলৈ নিয়া হয়, সেইবোৰৰ শৰীৰ
ছাউনিৰ বাহিৰে পোৰা যায়।
12 এই কাৰণে যীচুৱেও, তেওঁৰ নিজৰ তেজৰ দ্বাৰাই লোক সকলক
পবিত্ৰ কৰিবলৈ, নগৰৰ দুৱাৰৰ বাহিৰত মৃত্যুভোগ কৰিলে।

13 এতেকে আহক, তেওঁৰ নিন্দাৰূপ ভাৰ বৈ, ছাউনিৰ বাহিৰে
তেওঁৰ ওচৰলৈ আমি যাওঁহক।
14 কিয়নো ইয়াত আমাৰ কোনো চিৰস্থায়ী নগৰ নাই; কিন্তু আমি
সেই ভাবি নগৰ বিচাৰি আছোঁ।
15 এতেকে আহক, আমি তেওঁৰেই দ্বাৰাই সদায় ঈশ্বৰৰ উদ্দেশ্যে
স্তৱৰূপ যজ্ঞ, তেওঁৰ নাম স্বীকাৰকাৰী ওঁঠৰ ফল উৎসৰ্গ কৰোঁহক।
16 কিন্তু উপকাৰ আৰু সহভাগিতাৰ কাৰ্য নাপাহৰিব; কিয়নো এনে
যজ্ঞত ঈশ্বৰ সন্তুষ্ট হয়।
17 আপোনালোকে আপোনালোকৰ নায়ক সকলক মান্য কৰি
তেওঁলোকৰ বশীভূত হওক; কিয়নো হিচাপ দিব লগা লোক সকলৰ
দৰে তেওঁলোকে আপোনালোকৰ প্ৰাণৰ কাৰণে প্ৰহৰী কাৰ্য কৰিছে;
এতেকে তেওঁলোকে যেন সেই কৰ্ম আৰ্ত্তস্বৰেৰে নকৰি আনন্দেৰে
কৰিব পাৰিব, তাৰ কাৰণে তেওঁলোকৰ বশীভূত হওক; কিয়নো
আৰ্ত্তস্বৰেৰে কৰিলে আপোনালোকৰ একো হিত নহ□ব।
18 আপোনালোকে আমাৰ কাৰণেও প্ৰাৰ্থনা কৰিব; কিয়নো আমিও
আমাৰ সৎ বিবেক আৰু সকলো বিষয়তে সদাচৰণ কৰিবলৈ ইচ্ছা কৰি
আছোঁ, আৰু ইয়াক আমি দৃঢ় প্ৰত্যয় কৰোঁ;
19 কিন্তু মোক যেন পুনৰ অ◌াপোনালোকৰ বাবে সোনকালে দিয়া
হয়, এই কাৰণে প্ৰাৰ্থনা কৰিবলৈ মই অ◌াপোনালোকক অধিক মিনতি
কৰিছোঁ।
20 শান্তিৰ আঁকৰ যি ঈশ্বৰে, অনন্তকাল স্থায়ী নিয়মৰ তেজৰ
গুণে মেৰবোৰৰ সেই মহান ৰক্ষক, আমাৰ প্ৰভু যীচুক মৃত লোকৰ
মাজৰ পৰা পুনৰায় আনিলে, তেওঁ নিজৰ ইচ্ছা সাধনৰ অৰ্থে
অ◌াপোনালোকক সকলো সদবিষয়ত সিদ্ধ কৰক;
21 তেওঁৰ দৃষ্টিত যি উত্তম, সন্তোষজনক, তাকে আমাৰ যীচু খ্ৰীষ্টৰ
দ্বাৰাই সম্পন্ন কৰক; তেওঁৰ মহিমা চিৰকাল হওক। আমেন।
22 হে ভাই সকল, মই আপোনালোকক উৎসাহিত কৰোঁ,
আপোনালোকে এই উদগণিৰ বাক্য সহন কৰিব; কিয়নো মই সংক্ষেপে
আপোনালোকৰ বাবে লিখিলোঁ।
23 আমাৰ ভাই তীমথিয়ক মুকলি কৰা হৈছে, ইয়াকে জানিবা; তেওঁ
সোনকালে আহিলে, তেৱেঁ সৈতে মই আপোনালোকক দেখা কৰিবলৈ
যাম।

24 আপোনালোকে আপোনালোকৰ নায়ক সকলক আৰু সকলো
পবিত্ৰ লোকক মঙ্গলবাদ দিব। ইটালী দেশৰ লোক সকলে
আপোনালোকক মঙ্গলবাদ কৰিছে।
25 আপোনালোক সকলোৰে লগত অনুগ্ৰহ থাকক। আমেন।

# ইণ্ডিয়ান ৰিভাইচ ভাৰচন (IRV) আচামিচ - 2019
## The Indian Revised Version Holy Bible in the Assamese Language of India

copyright © 2017, 2018 Bridge Connectivity Solutions

Language: অসমীয়া (Assamese)

Dialect: Standard

Translation by: Bridge Connectivity Solutions

Contributor: Bridge Connectivity Solutions Pvt. Ltd.

This translation is made available to you under the terms of the Creative Commons Attribution Share-Alike license 4.0.
You have permission to share and redistribute this Bible translation in any format and to make reasonable revisions and adaptations of this translation, provided that:

- You include the above copyright and source information.
- If you make any changes to the text, you must indicate that you did so in a way that makes it clear that the original licensor is not necessarily endorsing your changes.
- If you redistribute this text, you must distribute your contributions under the same license as the original.

Pictures included with Scriptures and other documents on this site are licensed just for use with those Scriptures and documents. For other uses, please contact the respective copyright owners.
Note that in addition to the rules above, revising and adapting God's Word involves a great responsibility to be true to God's Word. See Revelation 22:18-19.

2025-04-26

---

PDF generated using Haiola and XeLaTeX on 19 Dec 2025 from source files dated 26 Apr 2025
1e228d69-d6f5-5171-b1af-4f5bccdf9ed9